


সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰবাহ

শুকুৰবাৰ ● ৭ মাৰ্চ, ২০২৫/২২ ফাগুন ১৯৪৩ শক ● দাম ২.০০ টকা ● ত্ৰয়োদশ বছৰ
● সংখ্যা - ৪৬ ● Vol - 13, Issue - 46

# নতুন দিল্লীৰ বিজ্ঞান ভৱনৰ আৰ্হিত এই সন্মিলন কেন্দ্ৰটো নিৰ্মাণ কৰা হ'ব ঃ মুখ্যমন্ত্ৰী

## পাণবজাৰত নিৰ্মীয়মান পূৱ ভাৰতৰ অন্যতম সৰ্ববৃহৎ সন্মিলন কেন্দ্ৰটোৰ লগতে খানাপাৰাত নিৰ্মীয়মান ৫ হাজাৰ আসনবিশিষ্ট প্ৰেক্ষাগৃহৰ নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে





**দিছপুৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটী মহানগৰীৰ পাণবজাৰত নিৰ্মীয়মান পূৱ ভাৰতৰ অন্যতম সৰ্ববৃহৎ সন্মিলন কেন্দ্ৰ তথা ৰাজ্যিক অতিথিশালাটো পৰিদৰ্শন কৰি নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে নিৰ্মাণকাৰী সংস্থা আৰু লোকনিৰ্মাণ (গৃহ) বিভাগৰ বিষয়াসকলৰ সৈতে অত্যাধুনিকভাৱে নিৰ্মীয়মান এই কেন্দ্ৰটো পৰ্যবেক্ষণ কৰি ইয়াৰ নিৰ্মাণকাৰ্য যথোচিত আৰু সময় নিৰ্ধাৰিতভাৱে সম্পূৰ্ণ কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। উল্লেখ্য যে এই সন্মিলন কেন্দ্ৰটোৰ সৰ্বাধিক উচ্চতা হ'ব ৪১.১০ মিটাৰ। কেন্দ্ৰটোত ৬৭৭৮.৩৬ বৰ্গমিটাৰ লন এলেকাৰ লগতে প্ৰৱেশ লবি, ২০০ খন আসনবিশিষ্ট ২ টা হল, প্ৰদৰ্শনী স্থান, ৰেষ্টুৰেণ্ট, কাৰ্যালয়ৰ স্থান, ৫০০ খন আসন বিশিষ্ট তিনিটা হল আৰু ৯০০ খন আসন বিশিষ্ট হল থকাৰ লগতে আৱৰ্ত ভৱন ব্লকত ৯৫ টা অতিথি কক্ষ, ৫ টা ছুইট, অভ্যৰ্থনা, ব্যায়ামগাৰ, বাণিজ্যিক কেন্দ্ৰ, ৰেষ্টুৰেণ্ট, বহুমুখী হল আদি সন্নিৱিষ্ট থাকিব। ৰাজ্যিক অতিথিশালা ১০ পৃষ্ঠাত

# লোকপ্ৰিয় বৰদলৈ এম. ই বিদ্যালয়ত হাতেলিখা আলোচনী 'প্ৰতিবিম্ব' উন্মোচনত হেমন্ত চৌধুৰী

## বিদ্যালয়ত সুস্থ আৰু পৰিস্কাৰ পৰিৱেশে ছাত্ৰ-ছাত্ৰীৰ মানসিক বিকাশত কৰাত সহায় কৰে



**দিলীপ মেধি, শুৱালকুছি ঃ** বৃহত্তৰ মালিগাঁৱৰ ৰে'ল বিভাগৰ আৱাসিক অঞ্চলৰ মাজত ১৯৭৮ চনতে প্ৰতিষ্ঠিত শিক্ষানুষ্ঠান লোকপ্ৰিয় বৰদলৈ বিদ্যালয় এম. ই.ত মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীদেৱে বিদ্যালয়ৰ নৱনিৰ্মিত তোৰণ আৰু অতিৰিক্ত শ্ৰেণীকোঠাৰ শুভ উদ্বোধন কৰাৰ লগতে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলে প্ৰস্তুত কৰি উলিওৱা বিজ্ঞান প্ৰদৰ্শনী, অক্ষৰ ফাউণ্ডেচনৰ উদ্যোগত ছাত্ৰ-ছাত্ৰীসকলে প্ৰস্তুত কৰা কাৰিকৰী শিক্ষাৰ প্ৰদৰ্শনী মুকলি কৰে। বিদ্যালয়ৰ প্ৰধান শিক্ষক তথা কৃতী শিক্ষক তিলক চন্দ্ৰ বৈশ্যৰ সভাপতিত্বত অনুষ্ঠিত হোৱা বাৰ্ষিক বঁটা-বিতৰণী সভাত প্ৰথমতে সহঃ শিক্ষয়িত্ৰী পূৰৱী দাসে আঁত ধৰা ধৰ্মীয় নামেৰে অনুষ্ঠানৰ শুভ আৰম্ভ কৰা হয়। বিজ্ঞান শিক্ষয়িত্ৰী লিলি কলিতাৰ তত্ত্বাৱধানত ছাত্ৰী নয়ামি বড়োই সম্পাদনা কৰা হাতেলিখা আলোচনী 'প্ৰতিবিম্ব'ৰ শুভ উন্মোচন কৰি ভাষণত মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীদেৱে কয় যে বিদ্যালয়খনত প্ৰধান শিক্ষক আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সহযোগিতাত বিদ্যালয়খনত এক সুস্থ আৰু পৰিষ্কাৰ পৰিৱেশ দেখিবলৈ পাইছোঁ। ইয়ে ছাত্ৰ-ছাত্ৰীক মানসিক বিকাশত সহায় কৰে। ৰাষ্ট্ৰীয় বিজ্ঞান ১০ পৃষ্ঠাত

# মহামৃত্যুঞ্জয় মন্দিৰত মুখ্যমন্ত্ৰী পত্নী ৰিণিকি ভূঞা শৰ্মাৰ মন্দিৰত পূজা-অৰ্চনা

**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** মহাশিৱৰাত্ৰিৰ দিনা নগাঁৱৰ ভেৰভেৰীস্থিত বিশ্বৰ ভিতৰতে সৰ্ব্বোচ্চ লিংগাকাৰ শ্ৰীশ্ৰী মহামৃত্যুঞ্জয় মন্দিৰতো ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা অগণন ভক্তৰ সমাগম হয়। হাতে-হাতে ধূপ-দীপ-নৈবদ্য লৈ মহাদেৱৰ ওচৰত আশিষ বিচাৰি মহামৃত্যুঞ্জয় মহালিংগৰ ওচৰত সেৱা আগবঢ়ায় ভক্তসকলে। দিনৰ ভাগত বিধিগতভাৱে আৰতি, ৰুদ্ৰাভিষেক আদি কৰাৰ ব্যৱস্থা কৰাৰ লগতে নিশাৰ বাবে অপূৰ্ব আলোকসজ্জাৰে সুশোভিত কৰে মন্দিৰ ভাগ। ইফালে পদযাত্ৰা কৰি ১০ পৃষ্ঠাত



Phone No: 7099031007/9435126802

With best Compliments from: E-mail: dreamlandenterprise02@gmail.com

**DREAMLAND HARDWARE**

(A unit of Dreamland Enterprise)

Complete Building Construction Solutions under one Roof

We deal in:

a) Cement: Dalmia, Ultratech, Ambuja and Max
b) TMT bars: Shyam, Tata Tiscon, SAIL,Durgapur Lotus etc
c) Paint items: Nerolac, Asian Paints and Berger
d) Electrical wiring and lighting items: Finolex, Polycab, Panasonic, Orient etc
e) PVC/UPVC/CPVC/GI pipes and pipe fittings for plumbing (Prince)
f) Door Locks, L-drops, Handles, Hinges, Tower bolts, Curtain Rod Hangers & Caps etc
g) Bath and Sanitary fittings: Parryware, Jaquar, Levik, Opec etc
h) Power tools and accessories
i) Profile Sheets: Tata, JSW, Taj
j) Ply boards and Mica: Green Ply, Mayank ply,Marino mica etc
k) Bricks, Chips and Sand.
l) All other kinds of General Hardware items.



Address: Check Gate, Near Christ Jyoti School, Haiborgaon, Nagaon

# আৰম্ভ হ'ল ইছলাম ধৰ্মীৰ ৰোজাব্ৰত ঃ অনুষ্ঠান প্ৰতিষ্ঠানৰ শুভেচ্ছা

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড় ঃ** সমগ্ৰ দেশতে ৰমজান মাহৰ ন-জোন দেখাৰ পৰিপ্ৰেক্ষিতত ২ মাৰ্চত ডিব্ৰুগড়তো ইছলাম ধৰ্মী লোকসকলে পালন কৰিছে পৱিত্ৰ ৰোজাব্ৰত। এই মাহটো অতি পৱিত্ৰভাৱে তেঁওলোকে ৰোজাব্ৰত পালন কৰে। পুৱতি নিশা সামান্য পানাহাৰ (চেহেৰী) কৰি দিনটো অনাহাৰে থকাৰ লগতে পানী এটুপিও নোখোৱাকৈ এই ৰোজাব্ৰত পালন কৰে। ঠিক তেনেকৈ সূৰ্যোদোয়ৰ লগে লগে ঘড়ীৰ কাঁটা চাই এক নিৰ্দিষ্ট সময়ত ৰোজাব্ৰত ভংগ কৰে। যাক 'ইফতাৰী' কৰা বুলি কোৱা হয়। এনেকৈ তেঁওলোকে এমাহ উপবাসে থাকি ৰোজাব্ৰত পালন কৰিব। ৰোজাব্ৰত পালন কৰা সময় চোৱাৱাত যুদ্ধ-বিগ্ৰহ, হাই-কাজিয়া, দন্ব-খৰিয়াল, মিছা, পৰনিন্দা-পৰচৰ্চা কৰা ইছলাম ধৰ্মত নিষিদ্ধ ঘোষণা। সমাজৰ গৰিব-দুখীয়া সকলক উপকৃত কৰাৰ বাবে এই মাহত বিশেষ দান হিচাপে তেওঁলোকে জাকাত-ফিতৰা আদি দিয়ে। এই ক্ষেত্ৰত ডিব্ৰুগড়ৰ জাকাত এন্ড ইমদাদ ফাউণ্ডেশ্যনে বিশেষ পদক্ষেপ গ্ৰহণ কৰি সমাজৰ দুখীয়া লোকসকলক বিচাৰি উলিয়াই সহায় কৰে। ধনীসকলে এই দান গৰিবৰ বাবে দিব লাগে আৰু এশ টকাৰ আঢ়ৈ শতাংশ দিব লগাতো কৰণীয় কৰ্তব্য।

ৰমজান উপলক্ষে ডিব্ৰুগড়ৰ জাকাত এণ্ড ইমদাদ ফাউণ্ডেছনৰ সভাপতি-সম্পাদক, ডিব্ৰুগড় ঈদগাহ কমিটীৰ সভাপতি-সম্পাদক, ডিব্ৰুগড় জিলা হিলাল কমিটিৰ সভাপতি-সম্পাদক, ডিব্ৰুগড় ইমাম পৰিষদ, আমোলাপট্টি ঈদগাহ সমিতিৰ সভাপতি-সম্পাদক, চেন্টাৰ ফৰ ইছলামিক ষ্টাডিজ, ডিব্ৰুগড়ৰ সভাপতি-সম্পাদক আৰু উপদেষ্টা, চাউল খোৱা দাৰুল হাদিছ মাদ্ৰাছাতুল বানাতৰ সভাপতি-সম্পাদক, কনভয় ৰোড ন-মছজিদৰ সভাপতি-সম্পাদক আদিকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে ৰমজানৰ শুভেচ্ছা আৰু ৰমজান-মোবাৰক জনাইছে। উল্লেখযোগ্য যে ৰমজানৰ এমাহ ৰোজাব্ৰত পালন কৰাৰ পিছত ইছলাম ধৰ্মীলোকে পালন কৰিব ঈদুল ফিতৰ উৎসৱ।

# নগাঁৱৰ এগৰাকী উদ্যামী মহিলাৰ এক প্ৰশংসনীয় পদক্ষেপ

## উঠি অহা যুৱতী সকলৰ লগতে বোৱাৰীসকলকো নিজক নিজেই স্বাৱলম্বী কৰি তোলাৰ এক প্ৰয়াস



**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও চহৰৰ গাতে লাগি থকা ৰত্নপুৰ আৰু কেন্দ্ৰীয় বিদ্যালয়ৰ নিচেই কাষতেই অৱস্থিত 'মৌমিতা বেকাৰী' নামেৰে এটি বেকাৰী খাদ্যসামগ্ৰী উৎপাদিত ক্ষুদ্ৰ উদ্যোগৰ লগতে কেক আৰু বিস্কুট প্ৰস্তুত কৰা এটি প্ৰশিক্ষণ কেন্দ্ৰ প্ৰতিষ্ঠান। প্ৰশিক্ষণ কেন্দ্ৰটিৰ স্বত্বাধিকাৰী তথা স্বীকৃতিপ্ৰাপ্ত প্ৰশিক্ষক মৌমিতা হাজৰিকাই জানিবলৈ দিয়া মতে- মোৰ এই নিজ বাসগৃহতেই নগাঁৱৰ ভিন্ন প্ৰান্তৰ পৰা ১৩ গৰাকী যুৱতী-মহিলাক বিভিন্ন ডিজাইনৰ কেক্ প্ৰস্তুত কৰিবলৈ প্ৰথমে প্ৰয়োজন হোৱা প্ৰাথমিক নিয়মসমূহৰ প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। কেৱল মাত্ৰ এদিন প্ৰশিক্ষণ লৈয়ে এগৰাকী যুৱতী-মহিলাই নিজক নিজেই জীৱিকাৰ পথ বাছি ল'ব পাৰিব। তাৰ বাবে মই নিজৰ প্ৰচেষ্টা অব্যাহত ৰাখিছোঁ। মোৰ এই প্ৰশিক্ষণ কেন্দ্ৰটিত আন প্ৰশিক্ষণ কেন্দ্ৰত কৈ অতি ন্যূনতম মূল্যত প্ৰশিক্ষণ প্ৰদান কৰি আহিছোঁ আৰু প্ৰশিক্ষণৰ অন্তত প্ৰশিক্ষণ প্ৰাপকসকলক একোখনকৈ চাৰ্টিফিকেট প্ৰদান কৰি আহিছোঁ বুলি কৈ সমগ্ৰ নগাঁওবাসী সকলো যুৱতী মহিলালৈ এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰে। তদুপৰি মৌমিতা বেকাৰী নামৰ এই প্ৰতিষ্ঠানটিত কেক্ বিস্কুট বনোৱা প্ৰশিক্ষণ দিয়াৰ লগতে কাৰোবাৰ প্ৰয়োজন হ'লে কেক্, পিজ্জা, বাৰগাৰ আদিৰ অৰ্ডাৰো লোৱা হয় বুলিও মৌমিতায়ে জানিবলৈ দিয়ে। উল্লেখ্য যে মৌমিতা হাজৰিকাৰ এই প্ৰচেষ্টায়ে যেন দহ গৰাকী শিক্ষিতা যুৱতী-বোৱাৰীৰ স্বাৱলম্বিতাৰ এক আদৰ্শ হৈ পৰিব বুলি সমগ্ৰ নগাঁওবাসী ৰাইজে আশা কৰিছে।

# জৈন ইউথ বিজয়নগৰৰ সৌজন্যত আয়োজিত কৰা হৈছে নৈশ ক্ৰিকেট খেল প্ৰতিযোগিতা




**শৈলেন কুমাৰ, মিৰ্জা ঃ** পলাশবাৰী সমষ্টিৰ জৈন ইউথ বিজয়নগৰ সৌজন্যত অষ্টম বিজয়নগৰ প্ৰিমিয়াৰ লীগ ২০২৫ আঠদিনৰ কাৰ্যসূচীৰে বিজয়নগৰ জৈন মন্দিৰ খেলপথাৰত আয়োজিত কৰা হৈছে। নৈশ অনুষ্ঠিত ক্ৰিকেট খেল যোৱা ২৮ ফেব্ৰুৱাৰী শুক্ৰবাৰে শুভ উদ্বোধনী হয়। উক্ত অনুষ্ঠানৰ মুখ্য দ্বাৰ মুকলি কৰে বিজয়নগৰ পঞ্চায়তৰ সভাপতি বাবুলাল জৈনে। মঞ্চ মুকলি কৰে ললিত জৈন আৰু বাবুলাল জৈনে। উদ্বোধনী ভাষন ৰাখে ললিত জৈনে। উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি বিশেষভাৱে দক্ষিণ কামৰূপ প্ৰেছ ক্লাবৰ সভাপতি অশ্বিনী কুমাৰ তালুকদাৰক সম্বৰ্ধনা জনোৱা হয়। উদ্বোধনী ভাষণৰ পিছত এখন সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হয়। সাংস্কৃতিক অনুষ্ঠানত জৈন সমাজৰ স্থানীয় শিল্পীসকলে আধুনিক নৃত্য আৰু জৈন সমাজৰ পৰম্পৰাগত নৃত্যগীত প্ৰদৰ্শন কৰে। প্ৰত্যেক বছৰে বিজয়নগৰ প্ৰিমিয়াৰ লীগ আটকধুনীয়া পৰিৱেশৰ মাজেৰে অনুষ্ঠিত হৈ আহিছে। এই বেলি অষ্টম বিজয়নগৰ প্ৰিমিয়াৰ লীগত সৰ্বমুঠ ছয়টা দলে অংশগ্ৰহণ কৰিছে। এই প্ৰতিযোগিতাখনৰ উদ্বোধনী মেছখন জৈন সমাজৰ মহিলা দলৰ মাজত অনুষ্ঠিত হয়।

# জহি-খহি গৈছে বদনি-আখিয়া চতেমাৰী সংযোগী পথ

## জৰাজীৰ্ণ পথৰ গাঁতত প্ৰায়ে সংঘটিত হৈছে দুৰ্ঘটনা



**শংকৰ দাস, মুকালমুৱা ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত বদনি-আখিয়াৰ পৰা চতেমাৰী সংযোগী লোকনিৰ্মাণ বিভাগৰ পথচোৱা বিধ্বস্ত হৈ পৰিছে। হাজো-দৌলাশাল ঘাইপথৰ বদনি-আখিয়াৰ পৰা চতেমাৰীলৈ যোৱা লোকনিৰ্মাণ বিভাগৰ পথচোৱাৰ বিস্তীৰ্ণ অঞ্চল জহি খহি গৈছে। জৰাজীৰ্ণ পথচোৱাৰ বিভিন্ন ঠাইত প্ৰকাণ্ড প্ৰকাণ্ড গাঁতৰ সৃষ্টি হোৱাত পথচোৱাত প্ৰায়ে সংঘটিত হৈ আহিছে দুৰ্ঘটনা। উল্লেখ্য যে পথচোৱাৰে নিতৌ হাজাৰ হাজাৰ লোকে অহা-যোৱা কৰি আহিছে যদিও সম্প্ৰতি যাতায়তৰ ক্ষেত্ৰত ভীষণ সমস্যাত ভুগিছে যাত্ৰীয়ে। চতেমাৰী গাঁৱকে ধৰি চৰাঞ্চলৰ টিলাৰদিয়া, লাউপাৰা চৰ, ৰববালা, বৰচুলিয়া, শিয়ালমাৰী, ভাংনামাৰী আদিকে ধৰি বৃহত্তৰ চৰাঞ্চলৰ পৰা প্ৰতিদিনাই উক্ত পথচোৱাৰে হাজাৰ হাজাৰ লোকে যাতায়াত সেৱা অব্যাহত ৰাখিছে। তদুপৰি নলবাৰী আৰু বৰপেটা জিলাকে ধৰি বিভিন্ন জিলাৰ চাকৰিয়ালে চাকৰি সূত্ৰে উক্ত জৰাজীৰ্ণ পথচোৱাৰে চৰাঞ্চললৈ অহা-যোৱা কৰে। উক্ত পথচোৱাৰে চৰাঞ্চলৰ বিদ্যালয়, আৰক্ষী থানাকে ধৰি বিভিন্ন চৰকাৰী প্ৰতিষ্ঠানত নিয়োজিত শিক্ষক, আৰক্ষীকে ধৰি বিভিন্ন ক্ষেত্ৰৰ আন আন চাকৰিয়ালসকলে যমৰ যাতনাত ভুগি আহ-যাহ কৰি আহিছে। বৃহত্তৰ চৰাঞ্চলৰ পৰাও প্ৰতিদিনাই স্কুল, কলেজ, হাস্পতাল আদিলৈ ৰাইজে অতি কষ্টৰ মাজেৰে যাতায়াত সেৱা অব্যাহত ৰাখিছে। পথচোৱা বিধ্বস্ত হৈ থকাত পথচোৱাত প্ৰায়ে দুচকীয়া বাহন, ই-ৰিস্কা আদি দুৰ্ঘটনাত পতিত হৈ যাত্ৰী চিকিৎসাধীন হ'বলগীয়া হৈছে। অঞ্চলটোৰ স্থানীয় ৰাইজ আৰু পথচাৰীয়ে শীঘ্ৰেই পথচোৱা মেৰামতি কৰি যাতায়াত সেৱা সুচল কৰি তুলিবলৈ বিভাগীয় কৰ্তৃপক্ষক দাবী জনাইছে। পথচোৱা মেৰামতিৰ ক্ষেত্ৰত বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক দিগন্ত বৰ্মনকো ৰাইজে পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

# সদৌ শুৱালকুছি অশোকাষ্টমী সমিতিৰ বাৰ্ষিক সাধাৰণ সভা সম্পন্ন

## নতুন সমিতি গঠন

**দিলীপ মেধি, শুৱালকুছি ঃ** বস্ত্ৰনগৰী শুৱালকুছিৰ অন্যতম ঐতিহাসিক অনুষ্ঠান সদৌ শুৱালকুছি অশোকাষ্টমী পৰিচালনা সমিতিৰ বাৰ্ষিক সাধাৰণ অশোকাষ্টমী ক্ষেত্ৰত ২৩ ফেব্ৰুৱাৰীত অনুষ্ঠিত হয়। পৰিচালনা সমিতিৰ সভাপতি পুলক কলিতাৰ পৌৰহিত্যত অনুষ্ঠিত সভাত উদ্দেশ্য ব্যাখ্যা সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে সম্পাদক বিনয় কলিতাই। যোৱা ২০২৪-২৫ বৰ্ষৰ জমা খৰচৰ হিচাপৰ খতিয়ান দাঙি ধৰে হিচাব পৰীক্ষক তীৰ্থ নাথ কাকতিয়ে। সভাত অশোকাষ্টমীৰ মণ্ডপ পুনৰ নিৰ্মাণ, সাংস্কৃতিক মঞ্চ আধুনিকীকৰণ আদি একাধিক প্ৰস্তাৱ গ্ৰহণ কৰে। সভাই চলিত ২০২৫-২০২৬ বৰ্ষ অশোকাষ্টমী পৰিচালনাৰ বাবে পুনৰবাৰ সভাপতি সম্পাদক ক্ৰমে পুলক কলিতা আৰু বিনয় কলিতাক নিৰ্বাচিত কৰে। তদুপৰি কাৰ্যকৰী সভাপতি হিচাপে সৰ্বানন্দ কলিতা (বিৰাজ)ৰ উপৰি মেলা পৰিচালনাৰ সহায়ক হোৱাকৈ সভাই আঠখন উপ-সমিতিৰ বাবে সভাপতি সম্পাদকসকলক নিৰ্বাচিত কৰে। সভাপতিসকল ক্ৰমে বশিষ্ঠ পাটোৱাৰী ৰত্ন কুমাৰ দাস দিবাকৰ ডেকা জীতেন কাকতি হেমেন দাস চিদা ডেকা আৰু দেৱ দাস কাকতি। সম্পাদক সকল ক্ৰমে জগদীশ কাকতি তিলক বৰুৱা অজন্তা কলিতা ত্ৰৈলোক্য বৈশ্য শান্তনু কলিতা নৰেন দাস বুবুল কলিতা আৰু দ্বিজেন দাসক লৈ এখন ৫১ জনীয়া অশোকাষ্টমী পৰিচালনা সমিতি গঠন কৰে। তদুপৰি অশোকাষ্টমী সুন্দৰকৈ পৰিচালনাৰ ক্ষেত্ৰত প্ৰশাসনিকভাৱে সহায়ক হ'বলৈ এখন উপবিধি প্ৰস্তুতৰ বাবে এখন ৫ জনীয়া খচৰা সমিতিও গঠন কৰে। খচৰা সমিতিৰ বাবে তীৰ্থ নাথ কাকতি সুশীল কলিতা পুলক কলিতা ৰত্ন কুমাৰ দাস আৰু বিশ্বজিত দাসক দায়িত্ব দিয়ে। সভাপতিৰ ভাষণত পুলক কলিতাই আগন্তুক ৫ আৰু ৬ এপ্ৰিলত হ'ব লগা শুৱালকুছিৰ সমন্বয়ৰ প্ৰতীক অশোকাষ্টমী মহামেলা সুচাৰুৰূপে পৰিচালনাৰ বাবে পৰিচালনা সমিতিৰ বিষয়ববীয়া কাৰ্যনিৰ্বাহক সাধাৰণ সদস্য আৰু সৰ্বসাধাৰণ ৰাইজৰ পূৰ্ণ সহযোগ বিচাৰি সভা সামৰণি মাৰে।

# শিক্ষাৰ্থীসকলক শিক্ষকে নিজৰ সন্তানৰ দৰে জ্ঞান কৰা উচিত ঃ পৰেশ বৈশ্য

## উত্তৰ লখিমপুৰ টাউন মডেল প্ৰাথমিক বিদ্যালয়ত শৈক্ষিক আলাপ সম্পন্ন



**লখিমপুৰ ঃ** লখিমপুৰ জিলাৰ উত্তৰ লক্ষীমপুৰ টাউন মডেল স্কুলত ৩ মাৰ্চত শিক্ষাৰ্থীসকলক সৈতে এক মনোজ্ঞ শৈক্ষিক আলাপ সম্পন্ন হয়। শৈক্ষিক আলাপত ভাগ লৈ বিশিষ্ট শিক্ষাবিদ পৰেশ বৈশ্যই কয় যে এই বিদ্যালয়খন অসমৰ এখন লেখত ল'বলগীয়া বিদ্যালয়। এক হাজাৰৰো অধিক শিক্ষাৰ্থীৰে সমৃদ্ধ এনে প্ৰাথমিক বিদ্যালয় অসমত হয়তো পাবলৈ বিৰল। এয়া অসমৰ চৰকাৰী খণ্ডৰ শিক্ষা ব্যৱস্থাৰ বাবে এক আশাৰ বতৰা। যিটো সময়ত শিক্ষাৰ্থীৰ অভাৱত চৰকাৰী শিক্ষানুষ্ঠান বন্ধ হ'বলৈ ধৰিছে, সেই সময়ত এই বিদ্যালয়খনে অসমৰ চৰকাৰী খণ্ডৰ বিদ্যালয়ৰ বাবে আদৰ্শ হ'বলৈ সক্ষম হোৱা বুলি বৈশ্যই মন্তব্য কৰে। তেওঁ বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগতো এক আলাপত মিলিত হয়। তেওঁ শিক্ষাৰ্থীসকলক সকলো কথা বুজি শিকিবলৈ আহ্বান জনায়। তেওঁ বিদ্যালয়খনৰ প্ৰধান শিক্ষক বীৰেণ বৰাৰ নেতৃত্বত বিদ্যালয়খনে এক নতুন মাত্ৰা লাভ কৰা কাৰণে তেখেতৰো শলাগ লয়। বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকলক উদ্দেশ্যি তেওঁ আৰু কয় যে সময়মতে বিদ্যালয়ত উপস্থিত হোৱাটো শিক্ষক-শিক্ষয়িত্ৰীৰ বাবে অলংকাৰ। বিদ্যালয়ৰ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীক সদায় নিজৰ সন্তানৰ দৰে জ্ঞান কৰি শিক্ষক-শিক্ষয়িত্ৰীসকলক পাঠদান কৰিবলৈও আহ্বান জনায়। শিক্ষক-শিক্ষয়িত্ৰীসকলে ভবা উচিত যে বিদ্যালয়খন আচলতে ছাত্ৰ-ছাত্ৰীৰ বাবেহে। শিক্ষক-শিক্ষয়িত্ৰীসকল হ'ল তেওঁলোকৰ বাবে অভিৰোচক। শিক্ষাৰ্থীসকলে যাতে বিদ্যালয়লৈ আহি আনন্দ অনুভৱ কৰিব পাৰে তাৰ প্ৰতি সংশ্লিষ্ট সকলোৱে চিন্তা কৰা উচিত বুলিও বৈশ্যই মন্তব্য কৰে। আলাপত ভাষণ দি বিদ্যালয়খনৰ প্ৰধান শিক্ষক বীৰেণ বৰাই কয় যে এই বিদ্যালয়খনে প্ৰতিষ্ঠাৰ কালৰ পৰাই এচাম প্ৰতিভাৱান মানৱ সম্পদ সৃষ্টি কৰি আহিছে। এই বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীয়ে অতি সম্প্ৰতি বিশ্বৰ বিভিন্ন দেশত সুনাম অৰ্জন কৰা বুলিও তেওঁ মন্তব্য কৰে। আলোচনাৰ অন্তত বৈশ্যই বিদ্যালয়খনে ল'ব পৰা ভালেমান শৈক্ষিক পদক্ষেপৰ কথা উল্লেখ কৰে। আলাপ অনুষ্ঠানত বিদ্যালয়খনে বৈশ্যক ফুলাম গামোচাৰে সাদৰ-সম্ভাষণ জনায়। প্ৰধান শিক্ষক বীৰেণ বৰাই শলাগৰ শৰাই আগবঢ়াই কয় যে শিক্ষাবিদ পৰেশ বৈশ্যৰ সোণসেৰীয়া পৰামৰ্শই বিদ্যালয়খনক নতুন দৃষ্টিভংগীৰে আগুৱাই যোৱাত বিশেষভাৱে সহায় কৰিব। তেওঁ ভৱিষ্যতেও বৈশ্যক বিদ্যালয়খনলৈ আহি প্ৰয়োজনীয় শৈক্ষিক দিহা দিবলৈ অনুৰোধ জনায়।

# আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস

■ এহিয়া আহমেদ
বৰথল কছাৰী গাঁও



প্ৰতিবছৰে ৮ মাৰ্চ তাৰিখে বিশ্বজুৰি আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উদ্‌যাপন কৰা হয়। এই বিশেষ দিনটো নাৰীসকলৰ অধিকাৰ, গৌৰৱ আৰু সফলতা উদ্‌যাপন কৰাৰ লগতে, সমাজত নাৰীসকলে সন্মুখীন হোৱা অসুবিধাসমূহৰ প্ৰতি সচেতনতা বৃদ্ধি কৰিবলৈ উদ্‌যাপন কৰা হয়।

**ইতিহাস আৰু তাৎপৰ্য**

১৯১০ চনত ডেনমাৰ্কৰ কোপেনহেগেনত অনুষ্ঠিত এক আন্তঃৰাষ্ট্ৰীয় সমাজবাদী সম্মিলনত জাৰ্মান ৰাজনৈতিক নেত্ৰী 'ক্লাৰা জেটকিনে' প্ৰথমবাৰৰ বাবে নাৰী দিৱস উদ্‌যাপনৰ প্ৰস্তাৱ আগবঢ়াইছিল। তাৰ পাছত ১৯১১ চনৰ ১৯ মাৰ্চত প্ৰথমবাৰৰ বাবে অষ্ট্ৰিয়া, ডেনমাৰ্ক, জাৰ্মানি আৰু ছুইজাৰলেণ্ডত এই দিৱস উদ্‌যাপন কৰা হৈছিল। পিছলৈ, ৰাষ্ট্ৰসংঘত ১৯৭৭ চনৰ ৮ মাৰ্চত আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস হিচাপে স্বীকৃতি দিয়ে।

**উদ্‌যাপন আৰু প্ৰাসংগিকতা**

নাৰী দিৱস উপলক্ষে পৃথিৱীৰ বিভিন্ন ঠাইত প্ৰতিবাদ, আলোচনাচক্ৰ, সচেতনতা কাৰ্যসূচী, বঁটা বিতৰণ আদি অনুষ্ঠিত কৰা হয়। বিশেষকৈ নাৰীসকলৰ শিক্ষা, স্বাস্থ্যসেৱা, কৰ্মসংস্থান, নেতৃত্ব আৰু সুৰক্ষাৰ ক্ষেত্ৰত আগবাঢ়ি অহা প্ৰগতি মূল্যায়ন কৰা হয়।

আধুনিক যুগত নাৰীয়ে বহুতো ক্ষেত্ৰত অপৰিসীম সফলতা অৰ্জন কৰিছে যদিও, সমাজত এতিয়াও লিংগ বৈষম্য, নিৰ্যাতন আৰু নাৰীৰ অধিকাৰ হৰণৰ দৰে সমস্যাসমূহ বিদ্যমান। সেইবাবেই, এই দিৱসটোৱে নাৰী-অধিকাৰ আৰু লিংগ সমতাৰ প্ৰয়োজনীয়তা সদৰী কৰে।

নাৰীসকলৰ শক্তি, সাহস আৰু অৱদানক সন্মান জনোৱাৰ বাবে আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস কেৱল এটি দিন নহয়, বৰঞ্চ এই দিনটো এটা আন্দোলন। সমাজৰ সকলো স্তৰত নাৰীক সমান অধিকাৰ আৰু সন্মান প্ৰদান কৰাটোৱেই সঁচা অৰ্থত নাৰী দিৱস উদ্‌যাপনৰ উদ্দেশ্য।

**ম'বাইল ঃ** ৮৮৭৬১-২৩১২৪

# কেৰিয়াৰ পইন্টৰ কম্পিউটাৰ এডুকেশ্বন উদ্যোগত চাৰ্টিফিকেট বিতৰণ ও সাংস্কৃতিক অনুষ্ঠানৰ সফল সামৰণি



**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁৱৰ এখন আগশাৰীৰ কম্পিউটাৰ শিক্ষানুষ্ঠান কেৰিয়াৰ পইন্ট কম্পিউটাৰ এডুকেশ্বন'ৰ উদ্যোগত চাৰ্টিফিকেট বিতৰণ ও সাংস্কৃতিক অনুষ্ঠান দিনযোৱা কাৰ্যসূচীৰে সফলতাৰে অনুষ্ঠিত হৈ যায়। অনুষ্ঠানটিৰ লগত সংগতি ৰাখি চাৰ্টিফিকেট বিতৰণৰ মূল সভাত উপস্থিত থাকে অসমৰ প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা, খাগৰিজান মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপিকা উমেড় চালমা, খাগৰিজান মহাবিদ্যালয়ৰ বাণিজ্য বিভাগৰ মুৰব্বী অধ্যাপক ধনেশ শৰ্মা, ৰেনেছাঁ কনিষ্ঠ মহাবিদ্যালয়ৰ উপাধ্যক্ষ বিচিত্ৰ নাৰায়ণ শইকীয়া, ভাৰতীয় জনতা যুৱ মৰ্চা নগাঁও জিলাৰ সম্পাদক ৰাজা পাৰিক আৰু কেৰিয়াৰ পইন্ট কম্পিউটাৰ এডুকেশ্বনৰ পৰিচালক গৌৰৱ আগমাচাৰ্য্য। বিশিষ্ট ব্যক্তিৰ ভাষণেৰে আৰম্ভ হয় এই অনুষ্ঠানটি। অনুষ্ঠানত উপস্থিত থকা মুখ্য অতিথি সকলে আগবঢ়োৱা সাবলীল ভাষণৰে প্ৰতিষ্ঠানখনৰ শিক্ষা সম্পূৰ্ণ কৰি যোৱা ছাত্ৰ-ছাত্ৰীসকলক একোখনকৈ চাৰ্টিফিকেট বিতৰণ কৰা হয়। লগতে যোৱা বৰ্ষৰ হৈ যোৱা জিলা ভিত্তিক অনলাইন ৰাভা সংগীত প্ৰতিযোগিতাত বিজয়ী ক্ৰমে প্ৰথম স্থান নিৰঞ্জনা বৰা, দ্বিতীয় স্থান ময়ূৰাক্ষী গোস্বামী আৰু তৃতীয় স্থান ভাৰ্গৱ বৰা লগতে বিচাৰক বিশেষ বঁটা লাভ কৰা প্ৰিয়ংকা বৰা, ৰিয়াশ্ৰী শইকীয়াক বঁটা বিতৰণ, শ্ৰেষ্ঠ ছাত্ৰ আৰু শ্ৰেষ্ঠ শিক্ষক বঁটা আদি বিতৰণ কৰা হয়। তদুপৰি অনুষ্ঠানটিত ছাত্ৰ-ছাত্ৰীসকলৰ নৃত্য-গীতৰ অনুষ্ঠানৰ পিছতেই সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হয়। সাংস্কৃতিক অনুষ্ঠানৰ মুখ্য আকৰ্ষণ হিচাপে অসমৰ সংগীত জগতৰ জনপ্ৰিয় কণ্ঠশিল্পী ৰিচা ভৰদ্বাজ আৰু সান্নিধ্য ভূএগাৰ দ্বাৰা গীত পৰিৱেশন কৰা হয়। উল্লেখ্য যে অনুষ্ঠানটোত কেৰিয়াৰ পইন্টৰ পৰিচালক গৌৰৱ আগমাচাৰ্যৰ লগতে , কম্পিউটাৰ শিক্ষানুষ্ঠানখনৰ শিক্ষক-শিক্ষয়িত্ৰী ক্ৰমে হিয়া শৰ্মা, জয়শ্ৰী ডেকা, জানমণি বৰা, বিঠিকা শইকীয়া, সুনিল ঠাকুৰকে প্ৰমুখ্যে কৰি শিক্ষানুষ্ঠানখনৰ ছাত্ৰ-ছাত্ৰী, অভিভাৱকসকলৰ আৰু নগাঁও জিলাৰ বিভিন্ন মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্যসকল আৰু বিভিন্ন মহাবিদ্যালয়ৰ বহু সংখ্যক ছাত্ৰ-ছাত্ৰীৰ উপস্থিত থাকি অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তোলে। আনহাতে পংখী বৰাই অনুষ্ঠানটি আঁত ধৰে। তদুপৰি অনুষ্ঠানৰ মাজতেই ইচ্ছুক ছাত্ৰ-ছাত্ৰীৰ বাবে মাৰ্চ মাহৰ পৰাই বিনামূলীয়া নামভৰ্তিকৰণ কৰা হ'ব বুলিও ঘোষণা কৰা হয়।

# নগাঁও ছোৱালী মহাবিদ্যালয়ত ভাৰতীয় গৱেষণা পৰিষদৰ বক্তৃতানুষ্ঠান

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও ছোৱালী কলেজৰ সন্মিলন কক্ষত ভাৰতীয় দাৰ্শনিক গৱেষণা পৰিষদৰ (ICPR) উদ্যোগত পৰিৱেশগত সমস্যাসমূহৰ ওপৰত এক পৰ্যায়িক বক্তৃতানুষ্ঠানৰ অনুষ্ঠিত হয়। পৰিৱেশগত বিষয়সমূহৰ ওপৰত গভীৰ আলোচনা কৰাৰ বাবে এক মঞ্চ প্ৰদান কৰে। বক্তৃতানুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ দৰ্শন বিভাগৰ অধ্যাপক ড° অকোইজাম থোইবিছনা, পাণ্ডু কলেজৰ সহযোগী অধ্যাপিকা ড° মৈত্ৰেয়ী শৰ্মাই অংশগ্ৰহণ কৰি। উল্লেখ যে ড° থোইবিছনাই ফেন'মেন'লজী, এক্সিষ্টেনচিয়েলিজম, পষ্টম'নডাৰ্নিজাম আৰু পষ্টষ্ট্ৰাকচাৰেলিজমত বিশেষজ্ঞতা অৰ্জন কৰিছে আৰু ড° শৰ্মা দাৰ্শনিকৰ বিভিন্ন ক্ষেত্ৰৰ লগতে সামাজিক বিষয়সমূহৰ লগতো জড়িত। মহাবিদ্যালয়ৰ সহযোগী আৰু মুৰব্বী অধ্যাপিকা ড° নমিতা কলিতাই সঞ্চালনা কৰে। নগাঁও ছোৱালী কলেজৰ অধ্যক্ষ ড° কুলেন চন্দ্ৰ দাস আৰু সমগ্ৰ শিক্ষক-কৰ্মচাৰীৰ সহযোগত অনুষ্ঠানটি আয়োজন কৰা হয়। অনুষ্ঠানটোৱে পৰিৱেশগত সচেতনতা বৃদ্ধি কৰা আৰু সমাজত পদক্ষেপ ল'বলৈ অনুপ্ৰাণিত কৰাৰ উদ্দেশ্য সফলতাৰে সম্পন্ন হয়।

# নগাঁৱৰ জন কল্যাণ নামেৰে বিত্তীয় প্ৰতিষ্ঠানটো মুখ্য কাৰ্যালয়টি ৰাইজৰ সুবিধাৰ্থে স্থানান্তৰিত

**বিশেষ সংবাদদাতা, নগাঁও ঃ** ৰাইজৰ হিতৰ স্বাৰ্থত জন্মস্থ হোৱা 'জন কল্যাণ' নামেৰে বিত্তীয় ব্যৱসায়ীক প্ৰতিষ্ঠানটোৰ নগাঁৱৰ মুখ্য কাৰ্যলয়টি জানিব পৰা মতে পূৰ্বতে কাঠমিল চাৰিআলিত আছিল। কিন্তু গ্ৰাহকৰ সুবিধাৰ্থে নগাঁও এ, টি ৰোডত থকা এলাহাবাদ বেংকৰ নিচেই কাষতেই গ্ৰাহকৰ সুবিধাৰ্থে বিত্তীয় প্ৰতিষ্ঠানটিৰ মুখ্য কাৰ্যালয়টি স্থানান্তৰিত কৰা হয়। প্ৰতিষ্ঠানটিৰ পৰিচালনা সঞ্চালকৰ দায়িত্বত থকা ছাব্বিৰ আহমেদে জানিবলৈ দিয়া মতে - আমাৰ এই বিত্তীয় প্ৰতিষ্ঠানটিত গ্ৰাহকসকলে অতি সহজতেই ঋণ ল'ব পাৰিব। তদুপৰি ছেভিং একাউণ্ট, এফ, ডি একাউণ্ট আৰ, ডি একাউণ্টকে আদি কৰি বহু ধৰণৰ বিত্তীয় আৰু সঞ্চয়ৰ সুবিধা সমূহো গ্ৰাহকসকলে লাভ কৰিব পাৰিব। তদুপৰি নগাঁৱৰ মুখ্য কাৰ্যালয়ত উচিত বেতনৰ পৰিৱৰ্তে উপযুক্ত প্ৰাৰ্থীয়ে নিযুক্তিৰ বাবে ৮৬৩৮৪-২৮২৪৭ নম্বৰত যোগাযোগ কৰিব পাৰিব বুলি আহমেদে জানিবলৈ দিয়ে।

# বিনতা আৰু কদ্ৰুৰ কথাৰে

(মহাকাব্যৰ কাহিনী)

■ লখিমী মহন্ত
নগাঁও, আনন্দ নগৰ

কদ্ৰু আৰু বিনতা হৈছে প্ৰজাপতি দক্ষ ৰজাৰ কন্যা । মাতৃ হৈছে পাঞ্চজানী। দুয়ো গৰাকী ব্ৰহ্মাৰ মানসপুত্ৰ মাৰিচীৰ পুত্ৰ কাশ্যপ মুনিৰ পত্নী। অৱশ্যে এঘাৰ গৰাকী সহোদৰা


ফটো ঃ উইজডমলিব

সহ কদ্ৰু আৰু বিনতাও কাশ্যপ মুনিৰেই পত্নী আছিল। অৰ্থাৎ ৰজা দক্ষ আৰু ৰাণী পাঞ্চজানীৰ তেৰগৰাকী জীয়ৰী আছিল। কাশ্যপৰ ঔৰসতে কদ্ৰু আৰু বিনতা গৰ্ভৱতী হৈছিল। বিনতাই যথাসময়ত দুটি কণীহে প্ৰসৱ কৰিছিল।

মহাকাব্য মহাভাৰতৰ সভাপৰ্বৰ মতে কদ্ৰুয়ে ব্ৰহ্মাৰ বাসস্থান ব্ৰহ্মলোকত বাস কৰিছিল। আনহাতে মহাভাৰতৰ বন পৰ্বত 'স্কন্দ গ্ৰহ' এটি ক্ষুদ্ৰ ৰূপ ধাৰণ কৰি গৰ্ভৱতী মহিলাৰ গৰ্ভত সোমাই ভ্ৰূণ নষ্ট কৰিছিল। কাহিনী মতে অধিক শক্তিশালী সন্তান জন্ম দিবলৈ দুয়োৰে মাজত প্ৰতিযোগিতা হৈছিল। ইফালে বিনতাই প্ৰসৱ কৰা কণী দুটা ভালেমান দিন হোৱাটো নজগা হ'ল। সেয়ে বিনতাই এটা কণী ভাঙি চাই দেখিলে যে অপৈণত শৰীৰেৰে 'অৰুণ' পক্ষীৰ জন্ম হ'ল। আনটো কণী যথোচিত সময়ত 'গৰুড়' পক্ষীৰ জন্ম হৈছিল। কদ্ৰুয়ে এহেজাৰ কণী প্ৰসৱ কৰি এহেজাৰ নাগৰ জন্ম দিলে। কিংবদন্তি অনুসৰি পৃথিৱীৰ সকলো সৰ্পই এই এহেজাৰ নাগৰ বংশধৰ বুলি কোৱা হয়। বিনতাক চৰাই বা পক্ষীকূলৰ মাতৃ বুলি কোৱা হয়। কদ্ৰু বিনতাতকৈ বেছি চতুৰ আৰু ষড়যন্ত্ৰকাৰী আছিল। এদিন ইন্দ্ৰৰ উচ্চৈশ্ৰৱা ঐশ্বৰিক ঘোঁৰাটোৰ নেজডাল ক'লা নে বগা ক'বলৈ কদ্ৰুয়ে বিনতাক ক'লে আৰু এই লৈ দুয়োজনীৰ মাজত বাজি লগালে। বিনতাই বগা আৰু কদ্ৰুয়ে ক'লা বুলি তৰ্ক আৰম্ভ কৰিছিল যে যিজনীৰ কথা অন্যথা হয় তেওঁ আনজনীৰ দাসী হ'ব লাগিব। এই বাজি জিকিবলৈকে চতুৰ কূটনীতিপৰায়ণ কদ্ৰুয়ে নিজৰ নাগপুত্ৰবোৰক ঘোঁৰাটোৰ নেজডালত কুণ্ডলী পকাবলৈ নিৰ্দেশ দিলে। ফলত নেজডাল ক'লা বৰণ কৰাই বিনতাক কৌশলেৰে পৰাজিত কৰি নিজৰ দাসী কৰি ল'লে। পঞ্চাশ বছৰ কাল দাসী হৈ থকাৰ পিছত পুত্ৰ গৰুড়ে স্বৰ্গৰ পৰা অমৃত আনি মাকক দাসত্বৰ পৰা মুক্ত কৰিছিল। গৰুড় ভগৱান বিষ্ণুৰ বাহনৰূপে প্ৰতিষ্ঠিত হৈছিল আৰু অৰুণ সূৰ্যদেৱতাই ৰথৰ সাৰথিৰূপে প্ৰতিষ্ঠিত হৈছিল।

মহাভাৰতত গৰুড়ক অদম্য বিনাশী শক্তি, গতি আৰু সমৰ দক্ষতাৰ প্ৰতীক ৰূপে উপস্থাপন কৰা হৈছে। ছেদেলি ভেদেলি শত্ৰুৰ ওপৰত দ্ৰুত গতিত জঁপিয়াই পৰা শক্তিশালী যোদ্ধাসকলক সৰ্পৰ ওপৰত জঁপিয়াই পৰাৰ লগত তুলনা কৰা হয়। মহাভাৰতত দ্ৰোণাচাৰ্যই গৰুড় নামেৰে এটা সৈন্য সজ্জা ব্যৱহাৰ কৰিছিল। কৃষ্ণই তেওঁৰ ধ্বজাত গৰুড়ৰ প্ৰতিচ্ছবি ব্যৱহাৰ কৰিছিল বুলি উল্লেখ আছে। এক বা তিনিটা শিৰৰ সকলোফালে দৃষ্টি ৰখা এটা পক্ষী হিচাপে প্ৰতীকি ৰূপত পৌৰাণিক হিন্দু পোৱা যায়। বিষ্ণুৰ সৈতে গৰুড়ৰ ঈগল সদৃশ ৰূপটোৱে ৰাজ্য এখনৰ ওপৰত তেওঁৰ শক্তি দৈৱিক অনুমোদনকে সূচায়। কিছুমান আখ্যানৰ মতে গৰুড়ৰ শৰীৰ ইমানেই বিশাল যে সূৰ্যকো ঢাকি ৰাখিব পাৰে। গৰুড় পুৰাণ তেওঁৰ নামেৰেই নামাকৰণ কৰা হৈছে।

গৰুড়ৰ জ্যেষ্ঠ ভাতৃ অৰুণ। মহাভাৰতৰ মতে সূৰ্যদেৱতাই তেওঁৰ পুত্ৰ কৰ্ণক ঐশ্বৰিক ৰথ আৰু সাৰথি অৰুণক আগবঢ়াইছিল। কিন্তু কৰ্ণই অস্বীকাৰ কৰিছিল। কিয়নো তেওঁ



ফটো ঃ উইজডমলিব


ফটো ঃ উইজডমলিব

আনৰ ওপৰত নিৰ্ভৰ কৰিব বিচৰা নাছিল। ৰামায়ণৰ মতে অৰুণে শ্যেনীক বিয়া কৰাই জটায়ু আৰু সম্পাতিক জন্ম দিছিল। ৰামায়ণৰ আন এক আখ্যান মতে অৰুণে অৰুণীদেৱী নামে নাৰী অৱতাৰ ধৰি বালি আৰু সুগ্ৰীৱৰ জন্ম দিয়া বুলি জনা যায়। ৰাতিপুৱাৰ সূৰ্যটোৰ দৰে ৰঙা আৰু উজ্বল অৰুণৰ বৰণ আছিল বুলি উল্লেখ পোৱা যায়। অকালতে মাক বিনতাই কণীটো ভাঙি দিয়া বাবে দুপৰীয়াৰ সূৰ্যটোৰ দৰে উজ্বল নহ'ল। মুঠতে দুই অণ্ডজ সন্তানেই মহাকাব্যত বিশেষ চৰিত্ৰৰে গুৰুত্ব প্ৰদান কৰিছে।

ইফালে কদ্ৰুয়ে আকৌ কাহিনীৰ মতে বিনতা আৰু গৰুড়ক নাগপুত্ৰসকলক সাগৰৰ মাজৰ সুন্দৰ ৰমণ্যক দ্বীপলৈ লৈ যাবলৈ অনুৰোধ কৰিছিল। য'ত নেকি সাগৰৰ মাজত নাগবোৰৰ বাসস্থান। কথামতে বিনতা আৰু গৰুড়ে নাগবিলাকক লৈ গৈ গন্তব্যস্থান পোৱাত কদ্ৰুয়ে নাগসকলে যাতে সূৰ্য প্ৰণাম কৰিব পাৰে তাৰ বাবে গৰুড়ক সূৰ্যৰ ওচৰলৈ নিবলৈ নিৰ্দেশ দিছিল। সেই নিৰ্দেশ মানি গৰুড়ে নাগবিলাকক পিঠিত লৈ সূৰ্যদেৱতাৰ ওচৰলৈ উৰা মাৰিছিল। পিছে সূৰ্যৰ উৎকট তাপ সহ্য কৰিব নোৱাৰি নাগপুত্ৰবোৰক বিৰান দ্বীপত আকাশৰ ওপৰৰ পৰা তললৈ সৰি পৰিছিল। নাগবিলাকৰ ক্ৰন্দন শুনি কদ্ৰু গভীৰভাৱে দুখত ভাগি পৰিছিল আৰু গৰুড়ক দোষাৰোপ কৰিছিল। বিনতাই কদ্ৰুৰ সন্তানৰ দুখ দুৰ্দশা দেখি কদ্ৰুৰ পৰামৰ্শ অনুসৰি গৰুড়ক পাতালৰ পৰা গংগাৰ পানী আনিবলৈ দিছিল। সেই আজ্ঞা পালন কৰি গৰুড়ে গংগাৰ পানী আনি নাগসকলক নতুনকৈ জীৱন দান দিছিল।

অন্যহাতে বাল্মিকীৰ ৰামায়ণৰ আদি পৰ্বত এই কাহিনীটো বেলেগ ধৰণৰে বৰ্ণিত হোৱা পোৱা যায়। যেতিয়া নাগপুত্ৰসকলক সূৰ্যৰ প্ৰখৰ তাপত মূৰ্ছা গৈ মাটিত পৰি গৈছিল কদ্ৰুয়ে পুত্ৰসকলৰ উদ্ধাৰৰ বাবে ইন্দ্ৰদেৱতাক প্ৰাৰ্থনা কৰাত ইন্দ্ৰই বৰষুণৰ সৃষ্টি কৰি নাগবোৰক জীয়াই তুলিছিল আৰু তেতিয়াৰ পৰাই নাগবোৰে ৰমণ্যক দ্বীপতে বাস কৰি থাকে ।

ম'বাইল ঃ ৯৪৩৫৭-০৩১১৩

# শিৱসাগৰত অসম ছাত্ৰ পৰিষদৰ বিনামূলীয়া প্ৰশিক্ষণ কেন্দ্ৰ মুকলি





**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰৰ অন্তৰ্গত ৰংঘৰ চাৰিআলিৰ ৰয়েল এনফিল্ড ডিলাৰ বিল্ডীংৰ দ্বিতীয় মহলাত যোৱা ২ মাৰ্চত অসম গণ পৰিষদৰ ছাত্ৰ সংগঠন অসম ছাত্ৰ পৰিষদৰ উদ্যোগত আৰু INSPIRATION IAS ৰ সহযোগত কেন্দ্ৰীয় লোকসেৱা আয়োগ আৰু অসম লোকসেৱা আয়োগৰ পৰীক্ষাৰ বাবে প্ৰস্তুত হ'ব খোজা শিক্ষাৰ্থীসকলৰ বাবে MISSION 1000' (3.0) ৰ এটি বিনামূলীয়া প্ৰশিক্ষণ কেন্দ্ৰৰ শুভাৰম্ভণি কৰা হয়। উক্ত অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি বক্তব্য প্ৰদান কৰে অগপৰ শিৱসাগৰ জিলা সভাপতি ঘন গগৈয়ে। আনহাতে অনুষ্ঠানত অসম ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সভাপতি ত্ৰিনয়ন বৰুৱা, সাধাৰণ সম্পাদকদ্বয় ৰবি শংকৰ কোঁৱৰ আৰু আশীষ পৰাশৰ, সম্পাদকদ্বয় সুমন চেতিয়া আৰু অভিনৱ বৰা, শিৱসাগৰৰ অসম ছাত্ৰ পৰিষদৰ সম্পাদকদ্বয় অৰুণাভ দুৱৰা আৰু ৰিশৱ মজুমদাৰৰ লগতে INSPIRATION IAS সঞ্চালক অৰবিন্দ কুমাৰ উপস্থিত থাকে। উল্লেখযোগ্য যে, MISSION 1000 CIVIL SERVANTS গঢ়ি তোলাৰ উদ্দেশ্য আগত ৰাখি আৰম্ভ কৰা উক্ত অনুষ্ঠানত প্ৰায় শতাধিক আগ্ৰহী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

# উৰিয়াগাঁৱত প্ৰাইজমানি ক্ৰিকেট খেল প্ৰতিযোগিতাৰ আয়োজন

**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ উৰিয়া গাঁও আঞ্চলিক সমিতিৰ উদ্যোগত অহা ১৬ মাৰ্চৰ পৰা উৰিয়া গাঁও খেলপথাৰত তৃতীয় বাৰ্ষিক প্ৰাইজমানি ক্ৰিকেট খেল প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতাখনত বিজয়ী দলক ৩১,১১১ টকা আৰু ৰাণাৰ্ছ-আপ দলক ১৫,১১১ টকাৰ লগতে ট্ৰফী প্ৰদান কৰা হ'ব। প্ৰতিযোগিতাখন ১৬ টা দলৰ মাজত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰিব বিচৰা দলৰ ভৰ্তি মাচুল ১৫০০ টকা। ইচ্ছুক দলসমূহক ৯৩৯৫৫২৮২৬০, ৮৮২২৪৮৮৩৮১, ৬০০০৬৩০৩৬৬ আৰু ৬০০০৩-৪৫১৭০ নম্বৰত যোগাযোগ কৰিবৰ বাবে উদ্যোক্তাসকলে আহ্বান জনাইছে।

# দক্ষিণ কামৰূপৰ নিজানৰ কবিৰূপে খ্যাত মমত মজুমদাৰ পাহৰণিৰ গৰ্ভত

**শৈলেন কুমাৰ, মিৰ্জা ঃ** দক্ষিণ কামৰূপৰ গদেবৰীৰ নিবাসী মমত মজুমদাৰৰ সৃষ্টিৰাজি তেখেতৰ জীৱনজোৰা সাধনা সাহিত্যৰ কবিতাৰ মাধ্যমৰে অনাবিল তেখেতৰ জীৱনযাত্ৰা সমাজ তথা সৰ্বসাধাৰণ বাবে উচৰ্গিত। তেখেতৰ সৃষ্ট কবিতা সমূহত বিচাৰি পোৱা যায় সমাজ তথা মানুহৰ প্ৰতি তেখেতৰ অজস্ৰ ভালপোৱা। হাবি-জংঘলৰে আবৰা তামোলৰ ধেকনাৰ বেৰৰ জৰাজীৰ্ণ পঁজাটোকে সম্বল কৰিলৈ তেখেতে সৃষ্টি কৰি গৈছে নৱনৱ মানৱদৰদী কবিতা। নিৰ্জনতা তেখেতৰ প্ৰিয় তাৰবাবে তেখেতৰ পৰিচয় নিজানৰ কবি। সমাজজীৱনৰ প্ৰতি তিলমানো আক্ষেপ নথকা স্বভিমানী মমত মজুমদাৰ চতালৰে বনৰীয়া হাতী, অজগৰ সৰ্প, শিয়াল পাৰ হৈ যায় তথাপি তেখেতৰ কাৰো প্ৰতি অভিযোগ নাই। সমাজৰ প্ৰতি সাহিত্যৰ মাজৰে তেখেতৰ অৱদান অমূল্য। কিন্তু দক্ষিণ কামৰূপৰ ৰাইজ তথা চৰকাৰ প্ৰশাসনৰো এনে শিল্পী, সাহিত্যিক, কবি সকলক জনমানসৰ মাজত প্ৰচাৰ - প্ৰসাৰৰ যোগেদি আগুৱাই অনাৰ ক্ষেত্ৰত কৰণীয় থকা বুলি ভাবো ।



গুৰুত্বপূৰ্ণ এখন দেশৰ অস্তিত্ব দেশখনৰ শিল্পসাহিত্যৰ ওপৰত নিৰ্ভৰ কৰে যদি শিল্পসাহিত্যৰ গুৰিধৰোতাসকলক আমি মান- মৰ্যাদা দিব নোৱাৰোঁ তেতিয়াহ'লে দেশৰ ভৱিষ্যত তথৈবচ হোৱাত একপ্ৰকাৰে নিশ্চিত। গতিকে ৰাইজে চৰকাৰৰ সহায়ত সাহিত্যৰ এনে সম্পদসমূহক ৰক্ষণাবেক্ষণ দি দেশ আৰু মানৱজীৱনৰ হকে কাম কৰিব বুলি আশা ৰাখিব পাৰি।

# আমাৰ ভাৰতবৰ্ষৰ নাৰীসকল

■ **অনামিকা (সংগীতা) কলিতা,** গুৱালকুছি




ঐতিহাসিক যুগৰ পৰাই সকলো নাৰীক দেৱী দৰেই যথেষ্ট সন্মান কৰে বুলি কিতাপ-পত্ৰ আদিত পঢ়িবলৈ পাইছোঁ। ধৰ্মই মানুহক নিয়মানুবৰ্তীতাৰে চলিব শিকাই। কিন্তু অন্ধ বিশ্বাস আৰু কু-সংস্কাৰে এখন সমাজ অন্ধকাৰ দিশলৈ গতি কৰে। ভাৰতবৰ্ষ বৈদিক যুগৰ পৰাই এক ৰক্ষণশীল দেশ। বিভিন্ন ভাষা আচাৰ ব্যৱহাৰ অনৈক্যৰ মাজত ঐক্য হিচাপে গোটেই বিশ্বতে পৰিচিত। গতিকে ভাৰতবৰ্ষৰ এক বিশেষ স্থান আছে গোটেই বিশ্বত।

আমাৰ ভাৰতবৰ্ষৰ নাৰীসকল শক্তিশালী সমাজ তথা পৰিয়ালৰ কাৰণে যথেষ্ট কষ্ট ত্যাগ কৰে কিন্তু তথাপিও যেন তেওঁলোক সকলো ফালৰ পৰাই বঞ্চিত। আমাৰ ভাৰতবৰ্ষত দেৱী-দেৱীক পূজা অৰ্চনা কৰে আনফালে সেই দেশৰ নাৰীসমাজ পদে পদে লাঞ্ছিত ধৰ্ষণ আদিৰ স্বীকাৰ হয়। মাতৃশক্তিক শক্তিমান হিচাপে যদি হৃদয়ত ঠাই পাই এয়া নহ'লহেঁতেন। আমি ধৰ্মীয় গ্ৰন্থত পাইছোঁ দেৱীয়ে পৃথিৱীত শান্তি স্থাপন কৰাৰ কাৰণে ধৰালৈ বিভিন্ন ৰূপত আহিছিল আৰু অসুৰবোৰক বধ কৰিছিল। ঠিক তেনেকৈ নাৰীসকলে নিজক সুৰক্ষিত কৰিবলৈ আত্মৰক্ষাৰ কৌশল শিকিব লাগিব।

নাৰীসকলে ঘৰতে হওক বা বাহিৰত সকলো দায়িত্ব পালন কৰিবই লাগিব কিন্তু সেই দায়িত্ব পালন কৰোতে বিভিন্ন অসুবিধাৰ সন্মুখীন হৈ আহিছে। গতিকে সকলো ফালে নিজকে চম্ভালিব লগা হয়। কৰ্ম ধৰ্ম কৰ্ম কৰিবই লাগিব কিন্তু নিজক সুৰক্ষিত কৰি ৰখাৰ দায়িত্ব আমাৰ আছে।

বাতৰি কাকত, টেলিভিছন, ম'বাইলতো চালেই দেখোঁ সদায় এগৰাকী হ'লেও নাৰী নিৰ্যাতন, ধৰ্ষণ হত্যা ইত্যাদি বিভিন্ন ঘটনাবোৰ সংঘটিত হৈ থাকে, মন সেমেকি যায়। আমি আমাৰ সুৰক্ষা নিজে কৰিব লাগিব। নিজৰ কন্যা সন্তানক আত্মৰক্ষাৰ কৌশল শিকোৱাৰ লগতে স্বাৱলম্বী হিচাপে গঢ়ি তুলিব লাগিব। তাৰ কাৰণে সৰুৰে পৰাই কিছুমান প্ৰশিক্ষণ দিব লাগিব।

ল'ৰা-ছোৱালীৰ মাজত পাৰ্থক্য অভিভাৱকে ভাবিব নালাগে। যেতিয়া সমান্তৰাল ৰেখাডাল অভিভাৱকে নিজৰ হৃদয়ত টানি ল'ব তেতিয়া নিশ্চয় আন এটা দিশৰ সূচনা হ'ব। বৰ্তমান কিছু পৰিৱৰ্তন হৈছে আৰু আশা কৰিম।

এমুঠি নাৰী আছে তেওঁলোকৰ কৰ্মকাণ্ডৰ কাৰণে গোটেই নাৰী জাতিয়ে বেয়া ফল ভোগ কৰিব লগা হয়। ভাৰ্চুৱেল জগতখনত তেওঁলোকৰ কৰ্মকাণ্ডইও আচৰিত কৰে। ভাল বেয়া ধনাত্মক ঋণাত্মক দুয়োটা দিশ থাকিবই প্ৰয়োজন সমাজখনত শুদ্ধপথত থাকি আমি নাৰীসকলে আদৰ্শ দাঙি ধৰা। ভাবিব লাগিব আমি নাৰী সকল এক সত্তা সমাজ তথা দেশৰ প্ৰগতিৰ পথৰ অৰিহণা যোগোৱা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আছোঁ আৰু থাকিম। তাৰ কাৰণে আমি সদায় আমাৰ বিচাৰ বুদ্ধি শুদ্ধ পথতহে বিচৰণ কৰিম। আমাৰ কোনেও দমন কৰিব নোৱাৰিব কিন্তু আমাৰ ভুল হ'লে আমাক কোনোবাই দেখুৱাই দিলে সেয়া গ্ৰহণ কৰিবলৈ প্ৰস্তুত থাকিম।

নেপোলিয়ন বোনাপাৰ্ট ফ্ৰান্সৰ সম্ৰাট আছিল। তেখেতে কৈছিল মোক এগৰাকী আদৰ্শ মাতৃ দিয়া মই এখন সুন্দৰ উৎকৃষ্ট সমাজ তথা দেশ সৃষ্টি কৰিম। তেতিয়াই তেওঁ অনুভৱ কৰিছিল নাৰীসকল কিমান গুৰুত্বপূৰ্ণ অংগ পৰিয়াল সমাজ তথা দেশৰ প্ৰগতিৰ পথৰ অৰিহণা যোগোৱাত।

নাৰীসকলে আগতে নিজৰ শক্তিৰ সৈতে পৰিচিত হওক বিচাৰ বুদ্ধিৰে সু-পথেৰে অবিৰতভাৱে যাত্ৰা কৰক একতাৰে পলম হ'লেও জয় নিশ্চিত। গতিকে ঈশ্বৰৰ সৃষ্টিত জীৱশ্ৰেষ্ঠ হিচাপে নাৰীসকলে সমাজত নিজৰ প্ৰতিচ্ছবি স্পষ্ট জাকতজিলিকা কৰি তুলিবলৈ সংগ্ৰাম কৰিব লাগিব সময়ৰ প্ৰত্যাহ্বান যুগে যুগে আছে অনাদি কাললৈকে থাকিব।

**ম'বাইল ঃ** ৭০০২৯-৪২৫৯১

# কাৰ নিমিত্তে এই জীৱন

■ **বনশ্ৰী শৰ্মা**

ছাত্ৰী, বি.বৰুৱা কলেজ, অসমীয়া বিভাগ



আফ্ৰিকান-আমেৰিকান মানৱাধিকাৰ কৰ্মী মাৰ্টিন লুথাৰ কিং (জুনিয়ৰ) এ এষাৰ কথা কৈছিল, 'জীৱনৰ আটাইতকৈ নিৰন্তৰ আৰু জৰুৰী প্ৰশ্নটো হ'ল- আপুনি আনৰ বাবে কি কৰি আছে?'

জীৱনত নিজৰ বাবে কাম কৰাটো সহজ কিন্তু নিজৰ লগতে আনৰ বাবেও যেতিয়া কাম কৰিব পাৰে তেতিয়াই জীৱন হৈ পৰে অনাকাংক্ষিতভাৱে ধুনীয়া। নিজৰ বাবেটো আমি প্ৰত্যেকেই কৰো, জীৱনটোত নিজৰ সুখ, আনন্দ, সফলতা ইত্যাদিৰ বাবে আমি কিমান কি কৰো, কৰাটো নিতান্তই প্ৰয়োজনীয়ও কাৰণ জীৱন আমাৰ এটাই, ইয়াক ৰঙীণ কৰি তোলাটোও আমাৰ নিজৰেই দায়িত্ব। কিন্তু নিজৰ লগতে যদিহে আনৰ বাবেও আমি জীৱনত যৎকিঞ্চিৎ হ'লেও কৰিব পাৰিছোঁ, তাতেই যেন জীৱনৰ সাৰ্থকতা। কাৰণ সকলো ধৰণৰ কামৰ প্ৰান্ততেই আনৰ বাবে যৎসামান্য হ'লেও কৰি যি সুখ পোৱা যায়, সেই সুখৰ সমান যে আন একোৱেই নাই। কেৱল নিজৰ কথা চিন্তা কৰা, আত্মকেন্দ্ৰিক পৃথিৱীখনক লৈ আমি প্ৰত্যেকেই বিৰক্ত হওঁ, উশাহত লোৱা বায়ুখিনিটো যেন বিৰক্ত, জীৱনটোত সকলো থাকিও কিবা এক অভাৱ অনুভৱ কৰোঁ... মুঠতে এই আত্মকেন্দ্ৰিক জীৱনে আমাক সকলোকে আমুৱাই, কিন্তু আমি ইয়াৰ কাৰণ বুজোতেই বহুত পলম হৈ যায়, বহুতেতো নুবুজাকৈয়ে গুচিও যায়। কিন্তু আমি যদিহে নিজৰ সামৰ্থ অনুযায়ী আনৰ বাবেও অলপ কৰিব পাৰোঁ, আনৰ মুখতো হাঁহি বিৰিঙাব পাৰোঁ, তেতিয়া জীৱন ইমানেই ধুনীয়া হৈ পৰিব যে আপুনি নিজেই নিজক প্ৰশ্ন কৰিবলৈ বাধ্য হ'ব, 'মই সঁচাকৈয়ে ইমানখিনি সুখৰ যোগ্য নে?' হয়, আপুনি যদি নিজৰ লগতে আনৰ কথাও ভাবিব শিকিছে, তেতিয়াহ'লে আপুনি কল্পনা কৰাতকৈয়ো বহুগুণে বেছি সুখৰ অধিকাৰী আপুনি। আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল কাৰোবাৰ বাবে ভাল কিবা এটা কৰিবলৈ হ'লে যে টকা-পইচাই সকলো তেনে নহয় কাৰণ বহু সময়ত টকা-পইচা থকা মানুহেও কিন্তু আনৰ মুখত হাঁহি বিৰিঙাব নোৱাৰে। হয়, টকা সকলোকে লাগে, বৰ্তমানৰ এই সময়ত টকা নহ'লে একোৱেই নাই কিন্তু টকা নোহোৱাকৈয়ো আমি কেতিয়াবা কাৰোবাৰ ওচৰত সহায়ৰ, বিশ্বাসৰ এখন হাত, মৰম-আন্তৰিকতাৰ এষাৰ মাত, অসহায় সময়ত হেঁপাহৰ এখন ঘৰ (মৰম, বিশ্বাস, সাহসেৰে আৱৰি ৰখা মানুহজনোটো এখন ঘৰ) হ'ব পাৰে। ইয়াৰোপৰিও আৰু বিভিন্ন সময়ত বিভিন্ন ধৰণেৰে আমি আনৰ বাবে ভাল কৰিব পাৰোঁ। কেৱল নিজৰ নিমিত্তে কাম কৰাৰ পৰিৱৰ্তে আমি যদি আনৰ বাবেও অলপ হ'লেও কৰিব পাৰোঁ, তেতিয়াই এই সংসাৰ হৈ পৰিব আপোনাৰ, মোৰ বাবে আটাইতকৈ সুখৰ ঠাই। মানৱ জীৱন লাভ কৰাটো পৰম সৌভাগ্য আৰু এই সৌভাগ্যৰ সৎ প্ৰয়োগ কৰি আমি যদি আমাৰ জীৱনকালত আনৰ হিত চিন্তা কৰি আনৰ বাবে যি পাৰোঁ দুই, এটা ভাল কাম কৰি যাওঁ তেতিয়াই জীৱন হৈ পৰে সুখৰ ঠাই। জীৱিত কালত যদিহে আপুনি কেৱল নিজৰ নিমিত্তেই সকলো কৰিছে, আনৰ কথা ভাবিবলৈ আপোনাৰ আহৰি নাই তেতিয়া হাজাৰ সফলতায়ো কিন্তু আপোনাক প্ৰকৃত সুখ দিব নোৱাৰে। আৰু যি মানুহে কেতিয়াও আনৰ বাবে একো কৰা নাই, কেতিয়াও আনৰ কথা ভাবিব পৰা নাই সেই মানুহৰ আন নহ'লেও বেয়া সময়ত, বিপদৰ সময়ত তেওঁৰ কাষত মানসিক শক্তি হিচাপে থিয় দিবলৈকে কোনো এজন নাথাকিব, মৃত্যুৰ পিছত দুখ কৰিবলৈ, মনত পেলাবলৈয়ো কোনো নাথাকিব কাৰণ সকলো সময়তে পাৰ্থিৱ খ্যাতিয়ে নামাতে, মানুহে হে মাতে, মানুহে হে চকুলো টুকে। সেয়ে সময় থাকোঁতেই আমি প্ৰত্যেকেই নিজকে প্ৰশ্ন কৰা উচিত, 'মই আনৰ বাবে কি কৰিছোঁ'। কাৰণ বিশ্ববন্দিত শিল্পী ড° ভূপেন হাজৰিকায়ো কৈ গৈছে,

মানুহে মানুহৰ বাবে
যদিহে অকণো নেভাবে
ভাবিব কোনেনো কোৱা...।

# মাজুলী মহাবিদ্যালয়ৰ অধ্যাপিকা মায়াশ্ৰী ডেকা হাজৰিকালৈ বিদায় সম্বৰ্ধনা

## 'শিক্ষাগুৰুসকলেই আটাইতকৈ শক্তিমন্ত সমাজ সংস্কাৰক' ঃ ড° দেৱজিৎ শইকীয়া



**বিকাশ শইকীয়া, মাজুলী ঃ** "শিক্ষাগুৰুসকলেই হৈছে আটাইতকৈ শক্তিমন্ত সমাজ সংস্কাৰক। শিক্ষাগুৰুৰ প্ৰতিটো দিশৰ অনুকৰণ কৰে শিক্ষাৰ্থীয়ে, নিজকে আদৰ্শ শিক্ষাগুৰুৰ আদৰ্শেৰে অনুধ্যায়ী কৰিবলৈ প্ৰয়াস কৰে শিক্ষাৰ্থীয়ে"- এই মন্তব্য মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ। সুদীৰ্ঘ পঁইত্ৰিশ বছৰীয়া কৰ্মজীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰা মাজুলী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা মায়াশ্ৰী ডেকা হাজৰিকাক বিদায় সম্ভাষণ জনোৱাৰ উদ্দেশ্যে মহাবিদ্যালয় কৰ্তৃপক্ষ, অসমীয়া বিভাগ, কৰ্মচাৰী আৰু শিক্ষাৰ্থীসকলৰ উদ্যোগত মহাবিদ্যালয়খনৰ কেশৱৰাম বৰা প্ৰেক্ষাগৃহত আয়োজিত সভাত সভাপতিত্ব কৰি অধ্যক্ষ ড° শইকীয়াই লগতে শিক্ষাৰ্থীসকলক পাঠদানৰ ক্ষেত্ৰত মায়াশ্ৰী ডেকা হাজৰিকাই আগবঢ়োৱা অভিভাৱকসুলভ সেৱাৰ বিষয়ে উল্লেখ কৰে আৰু আনুষ্ঠানিকভাৱে বিদায় গ্ৰহণ কৰিলেও মহাবিদ্যালয়ৰ উত্তৰণৰ ক্ষেত্ৰত আজীৱন তেওঁ সহযোগ কৰি যাব বুলি আশা প্ৰকাশ কৰে। মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ছাত্ৰী সাগৰিকা শইকীয়াৰ বৰগীতেৰে আৰম্ভ হোৱা সভাখনিত বিভাগীয় মুৰব্বী ড° দুলাল হাজৰিকাই আদৰণী ভাষণ আগবঢ়ায়। অধ্যাপক কাৰ্তিক নাথে আঁত ধৰা সভাত মায়াশ্ৰী ডেকা হাজৰিকাক দৌল শৰাই, সম্বৰ্ধনা-পত্ৰ, চেলেং-গামোচা, মুখা, বেতৰ বিচনী, গ্ৰন্থৰ টোপোলা আদিৰে বিপুল সম্বৰ্ধনা জনোৱা হয়। নিজৰ বক্তব্যত মায়াশ্ৰী ডেকা হাজৰিকাই সফলতাৰে কৰ্মজীৱন সমাপ্ত কৰিব পৰাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱা সকলোকে বিশেষভাৱে কৃতজ্ঞতা জ্ঞাপন কৰে। সভাত উপস্থিত থাকি মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপক অমৃতেশ্বৰ চুতীয়া, প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, জ্যেষ্ঠ অধ্যাপক ড° ৰাজেন বৰা, মায়াশ্ৰী ডেকা হাজৰিকাৰ স্বামী তথা অৱসৰী অধ্যাপক জিতেন্দ্ৰ নাথ ডেকা, কাৰ্যবাহী অভিযন্তা ভাতৃ অনুপম বৰুৱা, ভাতৃবধূ দেৱীৰূপা হাজৰিকা, পানীগাঁও অ' পি ডি মহাবিদ্যালয়ৰ অধ্যাপিকা বি ডি নিশা আদিয়ে মায়াশ্ৰী ডেকা হাজৰিকাৰ লগত অতিবাহিত অধ্যাপক ড° ব্ৰজেন চন্দ্ৰ নেওগ, বিপুল ৰাজখোৱা, সুৰেন চন্দ্ৰ দাস, অধ্যাপিকা ইন্দিৰা বড়া, ড° ৰূপজ্যোতি বৰা, প্ৰণীতা ৰাজখোৱা, তুলসী ৰাজখোৱা, বসন্ত বৰা, ড° প্ৰফুল্ল বৰা, প্ৰদীপ চন্দ্ৰ দাস, নৱজিৎ চেলেং, আচাৰ্য মোহন দাস, বিজয় টিমুং, ড° দিব্যজ্যোতি বৰা, সুদৰ্শনা ফুকন, বিদিশা ভট্টাচাৰ্য, ভগ্নী আৰতি ডেকা, কন্যা ঋতুস্মিতা ডেকা, জোঁৱাই বিশ্বজিৎ শইকীয়া, পুত্ৰ মৃগাংক শেখৰ ডেকা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলৰ উপৰিও প্ৰায় তিনি শতাধিক শিক্ষাৰ্থী উপস্থিত থাকে। সভাৰ অন্তত অধ্যাপিকা ৰুবী বৰাই শলাগ জ্ঞাপন কৰে।

# ফুলগুৰিত বিহুনাচ-বিহুনাম আৰু লোকবাদ্য বাদনৰ কৰ্মশালা

**ফুলগুৰি ঃ** অহা ১৬ মাৰ্চ দেওবাৰৰ পৰা ৩০ মাৰ্চ দেওবাৰলৈ ফুলগুৰি আঞ্চলিক ৰঙালী বিহু উৎসৱ উদ্‌যাপন সমিতিৰ উদ্যোগত আৰু ৪৯ সংখ্যক ফুলগুৰি আঞ্চলিক ৰঙালী বিহু উৎসৱ উদ্‌যাপন সমিতিৰ সহযোগত ফুলগুৰি ৰে'ল ষ্টেচনৰ সমীপৰ নেহৰু খেল-পথাৰ বিহুতলীত বিহু-নাচ, বিহুনাম আৰু লোকবাদ্য বাদনৰ প্ৰশিক্ষণেৰে অনুষ্ঠিত হ'ব বিহু কৰ্মশালা-২০২৫। প্ৰসেনজিত কোঁৱৰ মুখ্য প্ৰশিক্ষক আৰু উৰ্বশী ডেকা ওৰফে মালাই সহযোগী প্ৰশিক্ষকৰূপে উপস্থিত থাকিব লগা উক্ত কৰ্মশালাত অতিথি প্ৰশিক্ষকৰূপে উপস্থিত থাকিব জয়াৰাণী ডেকা পাটৰ, পদুম প্ৰসাদ শইকীয়া আৰু জাগৃতি কলিতা। প্ৰতিদিনে বিয়লি ৩ বজাৰ পৰা আৰম্ভ হ'ব লগা উক্ত কৰ্মশালাখনিলৈ ইচ্ছুক অংশগ্ৰহণকাৰীসকলক সাদৰেৰে আমন্ত্ৰণ জনাইছে উদ্যোক্তাসমিতিয়ে। অংশগ্ৰহণকাৰীসকলৰ সুবিধাৰ্থে যোগাযোগ নম্বৰ— ৮০১১৫-৫৩৪৫৪, ৯১০১৫-৭৯২৭২ আৰু ৬০০১৮-৪৩৯১২।

জনতাৰ চৰকাৰ | my GOV মেৰী সৰকাৰ

অসম চৰকাৰ
কৃষি বিভাগ



# সৰিয়হ

প্ৰতি কুইণ্টলত সমৰ্থন মূল্য
**৫,৯৫০ টকা**



**খেতিয়কৰ আয় বৃদ্ধিৰ এক অন্যতম যোজনা**

**তৃতীয়বাৰৰ বাবে**
**কৃষি বিভাগৰ দ্বাৰা ন্যূনতম সমৰ্থন মূল্যত কৃষকৰ পৰা সৰিয়হ ক্ৰয়**

**ক্ৰয়ৰ সময়সীমা**
**২৫ ফেব্ৰুৱাৰী - ২৫ মে’ ২০২৫**

**সৰিয়হ ক্ৰয় কৰা সংস্থাসমূহ**

- অসম ৰাজ্যিক কৃষি সামগ্ৰী বিপণন পৰিষদ
- অসম খাদ্য আৰু অসামৰিক যোগান নিগম লিমিটেড
- অসম ৰাজ্যিক পণ্যাগাৰ নিগম

**সৰিয়হ খেতিয়কসকলৰ কৰণীয়**

- বিক্ৰীৰ বাবে খেতিয়কসকল e-samridhi প’ৰ্টেলত পঞ্জীয়নভুক্ত হোৱাটো বাধ্যতামূলক
- জিলা কৃষি বিষয়াৰ কাৰ্যালয়ৰ পৰা কৃষক প্ৰমাণ-পত্ৰ সংগ্ৰহ কৰিব লাগিব
- কৃষক প্ৰমাণ-পত্ৰৰ লগতে আধাৰ কাৰ্ড, বেংক পাছবুকৰ প্ৰতিলিপি আৰু ম’বাইল নম্বৰ সংশ্লিষ্ট কৰ্তৃত্বশীল বিষয়াৰ ওচৰত জমা দিব লাগিব

**সৰিয়হৰ সৰ্বোচ্চ অনুমোদিত সীমা**

- মিহলি হৈ থকা বৰ্জ্য পদাৰ্থ – সৰ্বোচ্চ ২ শতাংশ
- টোৰিয়া সামৰি মিহলি হৈ থকা আন শস্য – সৰ্বোচ্চ ১০ শতাংশ
- মিহলি হৈ থকা অপৈণত, পতনুৱা আদি – সৰ্বোচ্চ ৪ শতাংশ
- মিহলি হৈ থকা পঁচা, পোকে খোৱা আদি – সৰ্বোচ্চ ২ শতাংশ
- মিহলি হৈ থকা সৰু তথা নিশকতীয়া শস্য – সৰ্বোচ্চ ১০ শতাংশ
- আৰ্দ্ৰতা – সৰ্বোচ্চ ৮ শতাংশ

সবিশেষ জানিবৰ বাবে যোগাযোগ কৰক
জিলা কৃষি বিষয়া/কৃষি উন্নয়ন বিষয়া
সহঃ বাণিজ্য বিষয়া, অসম ৰাজ্যিক কৃষি সামগ্ৰী বিপণন পৰিষদ (ম’বাইল ঃ ৮৬৩৮১-৪৮১৮৬)
সংশ্লিষ্ট সচিব, নিয়ন্ত্ৰিত বজাৰ সমিতি

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত | Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

Janasanyog RO no 4718/24/7-Mar-25

# সংখ্যালঘু অঞ্চলত শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰ

■ **জেফলিন চুলতানা,** ধিং, নগাঁও

সংখ্যালঘুৰ ধাৰণাটো সমাজতত্ত্বৰ এক গুৰুত্বপূৰ্ণ ধাৰণা। সংখ্যালঘু বুলিলে সাধাৰণতে কম জনসংখ্যাৰে গঠিত লোকসকলকহে বুজায়।

**শিক্ষাৰ বিষয়ে কিছু আলোকপাত** ঃ ব্যক্তিৰ মন, চৰিত্ৰ বা শাৰীৰিক ক্ষমতাৰে গঠনমূলক অৰদান আগবঢ়োৱা যিকোনো ধৰণৰ কাৰ্য্য বা অভিজ্ঞতাকে বিস্তৃত অৰ্থত শিক্ষা বোলে। শিক্ষাৰ এই সংজ্ঞাৰ আধাৰত ইয়াৰ মূল বৈশিষ্ট্য হৈছে —

১। জ্ঞান, পাৰদৰ্শিতা আৰু তথ্য আহৰণৰ প্ৰয়োজনীয়তা।

২। শিক্ষা প্ৰদানৰ বাবে উৎসুক ব্যক্তিৰ সহায়।

৩। ভ্ৰান্ত চিন্তাধাৰা পৰিহাৰ কৰাৰ প্ৰয়োজনীয়তা আৰু সক্ষমতা

৪। মানসিক উৎকৰ্ষ সাধন

ক'ব গ'লে শিক্ষা হ'ল ব্যক্তিৰ গোটেই জীৱনত লাভ কৰা বিভিন্ন অভিজ্ঞতাৰ সমষ্টি।

**শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰ**

সাম্প্ৰতিক সময়ত শিক্ষা, চিকিৎসা, ক্ৰীড়া, নিবনুৱা সমস্যা, শিশুৰ শাৰীৰিক, মানসিক উৎকৰ্ষ সাধন ইত্যাদি বিষয়সমূহ বহুত উন্নত হৈছে। অন্যান্য অঞ্চল সমূহতকৈ আমাৰ সংখ্যালঘু অঞ্চলসমূহ এনেবোৰ ক্ষেত্ৰত বহুত পিছপৰি থকা দেখা যায়। তাৰে এটি প্ৰধান কাৰণ হৈছে আমাৰ দেশৰ চৰকাৰখনৰ জাতীয়তাবাদী ভাবধাৰা। দ্বিতীয়তে, আমাৰ সংখ্যালঘু সকলৰ ভিতৰতে থকা কিছু ৰাজনৈতিক সুবিধাবাদী সংখ্যালঘু লোক। কেতিয়াবা আমাৰ সংখ্যালঘু অঞ্চলৰ ৰাজনৈতিক ব্যক্তিসকলে ৰাজনৈতিক কাৰণত কিছুমান ৰাজনীতিকাৰী বা ৰাজনৈতিক নেতাই জাতীয় সচেতনাক ৰাজনৈতিক মুনাফা আদায়ৰ উদ্দেশ্যে নিৰ্বাচনৰ কামত ব্যৱহাৰ কৰে। জাতীয় সচেতনাক যেতিয়া ৰাজনৈতিক উদ্দেশ্যত ব্যৱহাৰ কৰা হয় নিশ্চয় সেই ব্যক্তি সকলো একো একোজন সুবিধাবাদী লোক। ভোট যুদ্ধত জাতীয়তাবাদক এক হাতিয়াৰ হিচাপে ব্যৱহাৰ কৰা দেখা যায়।

আমাৰ সংখ্যালঘু অঞ্চলসমূহত উন্নয়ন তথা শিক্ষাৰ ক্ষেত্ৰত আলোচনা হ'লে দেখা যায় কেৱল মাত্ৰ ৰাজনৈতিক মুনাফা। সদায় সংখ্যালঘু লোকসকল (বিশেষকৈ মুছলমানসকল) ধৰ্মীয় পৰিচয় ভিত্তিত একাকাৰ হয়। যেন মুছলমান সমাজ সম্পূৰ্ণৰূপে একো একোটা পৃথক গোট। অসমৰ হিন্দু সমাজত যিদৰে আহোম, কোচ, নাথ, বিহাৰী, ৰাভা, কলিতা, বড়ো, বামুণ, বাঙালী আদি এশ এটা জাতিগত তথা ভাষাগত গোট বিদ্যমান, ঠিক তেনেদৰে অসমৰ মুছলমান সমাজো বিভিন্ন জাতিগত আৰু ভাষাগত গোটত বিভক্ত হৈ আছে।

ভাৰতৰ কেইটামান সংখ্যালঘু গোটৰ নাম হ'ল —

১। ভাৰতৰ মুছলমানসকল (মুঠ জনসংখ্যাৰ ১৪.২ শতাংশ)

২। ভাৰতৰ খ্ৰীষ্টানসকল (মুঠ জনসংখ্যাৰ ২.৩ শতাংশ)

৩। ভাৰতৰ শিখসকল (১.৯ শতাংশ)

৪। জৈনসকল (মুঠ জনসংখ্যাৰ ০.৪ শতাংশ)

এখন দেশৰ শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য নিৰূপণ কৰে দৰ্শনেহে। সেয়েহে প্ৰত্যেক দেশৰে শিক্ষাৰ লক্ষ্য সম্বন্ধে আলোচনা কৰিলে বিভিন্নতা প্ৰত্যক্ষ কৰা হয়। দেশখনৰ শিক্ষা ব্যৱস্থাৰ লক্ষ্য সম্বন্ধে আলোচনা কৰিলে বিভিন্ন ব্যক্তি কোন দৰ্শনত বিশ্বাসী তাৰ উমান পোৱা যায়। ব্যক্তিৰ আচৰণ সংশোধন কৰাৰ ক্ষেত্ৰত দৰ্শনে নীতি নিৰ্দেশনা নিৰ্ধাৰণ কৰে। শিক্ষাৰ লক্ষ্যাইও ব্যক্তিৰ আচৰণ নিৰ্ধাৰণ কৰি আদৰ্শ ব্যক্তি গঢ়ি উঠাৰ ওপৰত গুৰুত্ব দিয়ে। দৰ্শনে জীৱনৰ মূল্যবোধ সম্পৰ্কে অৱগত কৰোৱাই যে শিক্ষাই সেইবোৰত কাৰ্যকৰীকৰণৰ ক্ষেত্ৰত শিক্ষন পদ্ধতি, অনুশাসন মানি চলাৰ ক্ষেত্ৰত দৰ্শনৰ প্ৰভাৱ যথেষ্ট গুৰুত্বপূৰ্ণ।

মই কোনো শিক্ষাবিদ নহওঁ, জ্ঞানো নিচেই সীমিত। যি লিখিছোঁ সেয়া আলোচনাৰ আৰম্ভণি বুলি গণ্য কৰিলেহে বোধহয় আগবঢ়াৰ পথ ওলাব। মোৰ মনলৈ অহা কেইটামান চিন্তা আপোনালোকলৈ আগবঢ়ালোঁ। বিশেষকৈ চহৰ তথা নগৰবোৰত শিক্ষাৰ ক্ষেত্ৰত বহুত উন্নত। ঘৰে ঘৰে চৰকাৰী তথা ব্যক্তিগত খণ্ডৰ বিদ্যালয় বুলি ক'লে বোধহয় বঢ়াই কোৱা নহ'ব। চহৰ অঞ্চলত ব্যক্তিগত খণ্ডৰ শিক্ষা প্ৰতিষ্ঠানৰ যথেষ্ট প্ৰয়োজন হৈছে আৰু এনে প্ৰতিষ্ঠানৰ প্ৰতি সৰ্বসাধাৰণ লোকৰ আস্থাও জন্মিছে। বৰ্তমান সময়ত গাঁৱে-ভূঞেও যথেষ্ট প্ৰয়োজন হ'ব ধৰিছে। কিন্তু আমাৰ সংখ্যালঘু চৰাঞ্চলৰ শিক্ষা ব্যৱস্থা ইমানেই অনুন্নত যে ১০-১২ বছৰীয়া প্ৰায় ল'ৰা-ছোৱালীয়ে স্বৰবৰ্ণ, ব্যঞ্জন বৰ্ণ কি বুজি নাপায়। শিক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে আমাৰ চৰাঞ্চলৰ সংখ্যালঘু নিৰক্ষৰ লোকসকল অকনো সচেতন নহয়। দেখা যায় নিৰক্ষৰ লোকসকলৰ ল'ৰা-ছোৱালীৰ শিক্ষিতৰ হাৰ তুলনামূলকভাৱে স্বাক্ষৰ আৰু শিক্ষিত লোকৰ ল'ৰা-ছোৱালীৰ হাৰতকৈ যথেষ্ট কম। ইয়ে শিক্ষাৰ সাৰ্বজনীনতাৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি কৰে। আমাৰ সংখ্যালঘু (বিশেষকৈ চৰাঞ্চল) ৰ মানুহক লৈ আমাৰ চৰকাৰ, ৰাজনৈতিক নেতা, সামাজিক, শৈক্ষিক দায়বদ্ধ থকা ব্যক্তিসকলে কেৱল মাত্ৰ ৰাজনীতিয়েই কৰি গ'ল। উন্নয়নৰ নামত ভেকোভাওনা।

আমাৰ সংখ্যালঘু অধ্যুষিত অঞ্চলসমূহৰ পৰা বহু চিকিৎসক, অভিযন্তা, ৰাজনৈতিক নেতা, কবি, লেখক, বুদ্ধিজীৱী, আই এছ, আই পি এছ, এ ছি এচ, শিক্ষক, সমাজসেৱকে ইতিমধ্যে নিজৰ নাম অসম তথা ভাৰতত জিলিকাবলৈ যি সময়ত সক্ষম হৈছে। অসমৰ জনজীৱনত থলুৱা মুছলমানসকলৰ স্বাধীনতা আন্দোলনৰ পৰা আৰম্ভ কৰি ইছমাইল হোছেইন ছাৰলৈকে এনে বহু অসমীয়া মুছলমান আছে যাৰ প্ৰথম পৰিচয় অসমীয়া, তাৰ পিছতহে মুছলমান। যি সময়ত আমি নিজক লৈ গৌৰৱ অনুভৱ কৰিব পাৰিছোঁ। যি সময়ত আমি আমাৰ অস্তিত্ব দেখুওৱাব পাৰিছোঁ। ঠিক একে সময়তে আমি আমাৰ সংখ্যালঘু (বিশেষকৈ চৰাঞ্চলৰ মুছলমান) লোকসকল শিক্ষাৰ ক্ষেত্ৰত কিয় ইমান পিছপৰি থকা দেখা যায়। আমি কেৱল শিক্ষিতই হৈছোঁ, নে প্ৰকৃত জ্ঞান আহৰণ কৰিব পৰা নাই? আমাৰ এচাম ৰাজনীতিবিদে সেই লোকসকলক লৈ কেৱল মাত্ৰ ৰাজনীতিয়েই কৰি গ'ল, উন্নয়নৰ নামত ভেকোভাওনা। গতিকে আমি শিক্ষিত এচামে এই চৰাঞ্চলৰ সংখ্যালঘু লোকসকলক শিক্ষাৰ পোহৰ বিলাব নোৱাৰোঁ নে? তেওঁলোককো সপোন দেখুওৱাব নোৱাৰোঁ নে যে তেওঁলোকৰ মাজৰ পৰাও আমাৰ চিকিৎসক, অভিযন্তা, ৰাজনৈতিক নেতা, কবি, লেখক, বুদ্ধিজীৱী, আই এছ, আই পি এছ, এ ছি এচ, শিক্ষক, সমাজসেৱক আদি লাগে। তেওঁলোকৰ পেটৰ তাড়নাৰ লগতে শিক্ষাও এক প্ৰয়োজনীয় অংগ বুলি তেওঁলোকৰ মন মগজুত সোমাই দিব নোৱাৰোঁ নে? হাতত কলম কিতাপ তুলি দিব নোৱাৰোঁ নে? যিসকল লোকে আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰিব নোৱাৰে তেওঁলোকৰ বাবে সুকীয়াকৈ শিক্ষাৰ ব্যৱস্থা কৰিব লাগে। কিছুমান শিক্ষাৰ্থীয়ে শিক্ষা সমাপ্ত নকৰাকৈ শিক্ষানুষ্ঠান পৰিত্যাগ কৰিব লগা হৈছে। এনেবোৰ ছাত্ৰ-ছাত্ৰীৰ বাবে চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এই ক্ষেত্ৰত চৰকাৰ তথা আমাৰ ৰাজনৈতিক নেতা, তথা শিক্ষাৰ ক্ষেত্ৰত অৰদান আগবঢ়োৱা বিশেষ ব্যক্তিসকলৰ প্ৰতি মোৰ বিশেষ অনুৰোধ আমাৰ সংখ্যালঘু চৰাঞ্চলত অন্ততঃ শিক্ষাৰ ক্ষেত্ৰত আগবঢ়াই নিয়ে যেন। উন্নয়নে ঢুকি নোপোৱা আমাৰ গাঁওসমূহৰ পৰাও যেন চিকিৎসক, অভিযন্তা, আই এছ, আই পি এছ বিষয়া আদি ওলায়, এওঁলোকৰ নামো যেন বিশ্ব দৰবাৰত জিলিকি উঠে।

ধৰ্মীয় সংখ্যালঘু ৰাইজৰ লগতে ভাষিক সংখ্যালঘু তথা ৰাজ্যখনৰ চৰাঞ্চলত বসবাস কৰা অভিভাষীসকলৰ কল্যাণ শিক্ষা তথা উন্নয়নৰ বিভিন্ন দিশৰ তদাৰকীৰ ক্ষেত্ৰত বিশেষকৈ সংখ্যালঘু উন্নয়ন বিভাগ তথা চৰকাৰে গুৰুত্ব সহকাৰে দায়িত্ব পালন কৰক, নিশ্চয় আমাৰ মাজৰ পৰাও দেশৰ ভৱিষ্যত ওলাব। অধিসূচিত ধৰ্মীয় সংখ্যালঘুসকলৰ লগতে ভাষিক সংখ্যালঘু তথা চৰাঞ্চলৰ দৰে পিছপৰা এলেকা সমূহত বসবাস কৰা অভিভাষী ৰাইজৰ সৰ্বাংগীন উন্নয়নৰ গতি ত্বৰান্বিত কৰি সামগ্ৰিকভাৱে সংশ্লিষ্টসকলৰ কল্যাণ সাধন কৰিব পৰাকৈ বিভিন্ন কৰ্ম আঁচনি যুগুতাই তেনে আঁচনি ৰূপায়ণত অধিক মনোনিৱেশ কৰক। সংশ্লিষ্টসকলৰ অৰ্থ সামাজিক অৱস্থাৰ উত্তৰণৰ বাবে আঁচনি প্ৰস্তুত কৰাৰ লগতে স্ব-নিয়োজনৰ সম্ভাৱনা সৃষ্টিতো তৎপৰতা গ্ৰহণ কৰা বিভাগটোৱে এই ক্ষেত্ৰত পৰম্পৰাগতভাৱে পেচাদাৰী গোট আৰু মহিলাসকলক বিশেষ অগ্ৰাধিকাৰ দিয়াত গুৰুত্ব দিব লাগে। উচ্ছেদিত লোকসকলক সংস্থাপনৰ ব্যৱস্থা তথা তেওঁলোকৰ ল'ৰা-ছোৱালীক শিক্ষাৰ ক্ষেত্ৰত আগবঢ়াই লৈ যোৱা, তেওঁলোকক মানুহ হোৱাৰ সপোন দেখুওৱা। তেতিয়াহে আমাৰ সংখ্যালঘু অঞ্চলসমূহৰ উন্নয়ন সম্ভৱ।

**ম'বাইল ঃ** ৯৩৬৫২-১৪৯১০

# কন্দলীত বাদুলী খোৰোং মেলাৰ ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপন অনুষ্ঠানৰ সামৰণি

## তিৱা স্বায়ত্ব শাসিত পৰিষদৰ পুঁজিৰ পৰা ২০ লাখ টকাৰ অনুদান ঘোষণা



**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** নগাঁও জিলাৰ কন্দলীত চাৰিদিনীয়াকৈ অনুষ্ঠিত হোৱা ঐতিহাসিক শ্ৰীশ্ৰীবাদুলী খোৰোং মেলাৰ ৰূপালী জয়ন্তী বৰ্ষ অনুষ্ঠানৰ যোৱা ৩ মাৰ্চত বিয়লি সামৰণি পৰে। কন্দলীৰ শিলাময় পাহাৰৰ বুকুত লুকাই থকা এই কৌতূহল তথা বিস্ময়কৰ বাদুলী খোৰোং মেলা চাবলৈ প্ৰতিদিনাই জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অগণন ভক্তৰ সমাগম ঘটে। নানা আখ্যান আৰু জনশ্ৰুতিৰে সাঙোৰ খাই থকা এই বাদুলী খোৰোং মেলা উৎসৱৰ অনুষ্ঠানত তৃতীয় দিনা দুপৰীয়া অনুষ্ঠিত হোৱা মুকলি সভাত বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী উপস্থিত থাকি ভাষণ প্ৰসংগত কয়-কন্দলী বাদুলী খোৰোঙৰ এটা ইতিহাস আছে। স্থানীয় ৰাইজৰ মাজৰ প্ৰচলিত ঐতিহাসিক কথাখিনিকে মই বিশ্বাস কৰোঁ। উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত বাদুলী খোৰোং একমাত্ৰ কন্দলীতে আছে। এই বাদুলী খোৰোংটোক সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰি ইয়াক পৰ্যটকৰ আকৰ্ষণীয় স্থলী হিচাপে গঢ় দিয়াৰ চেষ্টা কৰিম। ভাষণ প্ৰসংগত বিধায়ক গোস্বামীয়ে উক্ত স্থানত খোৱাপানী আৰু বিদ্যুতৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি ৰাইজক প্ৰতিশ্ৰুতি দিয়ে। সভাত তিৱা স্বায়ত্ব পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰে অংশগ্ৰহণ কৰি বাদুলী খোৰোং স্থলীৰ আন্তঃগাঁথনি উন্নয়ন বাবে (সভাঘৰ নিৰ্মাণ) তিৱা স্বায়ত্ব পৰিষদৰ পুঁজিৰ পৰা ২০ লাখ টকাৰ অনুদান আগবঢ়োৱাৰ বিষয়ে ঘোষণা কৰে। উদ্‌যাপন সমিতিৰ সম্পাদক উজ্জ্বল বৰদলৈয়ে আঁত ধৰা সভাখনত তিৱা স্বায়ত্ব পৰিষদৰ অধ্যক্ষ মদন বৰদলৈ, পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ক্ৰমে প্ৰণৱ জ্যোতি মহন্ত, কমল বৰদলৈ, ইন্দ্ৰ বৰদলৈ, সঞ্জীৱ দেউৰী, অজন বসুমতাৰী, মানিক মজুমদাৰ প্ৰমুখ্যে বহু লোক উপস্থিত আছিল। উল্লেখযোগ্য যে, ঐতিহাসিক বাদুলী খোৰোং মেলাৰ উৎসৱত ২৮ ফেব্ৰুৱাৰীত দুপৰীয়া ভুমুক গাঁও আৰু পুৰণি হাবি গাঁও নামৰ দল, ১ মাৰ্চত কুঁৱৰী চুক, পামতলি গাঁৱৰ নামৰ দল আৰু ২ মাৰ্চত নিবুকালি, নৰজ্যোতি নামৰ দলৰ দ্বাৰা পৰিবেশিত দিহানামেৰে অঞ্চলটোৰ আকাশ-বতাহ মুখৰিত কৰি তোলে। তৃতীয় দিনা বিয়লি একক নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হয়। উক্ত মেলাত প্ৰতিদিনাই দৰ্শনাৰ্থীসকলৰ বাবে খোৰোং প্ৰদৰ্শনৰ ব্যৱস্থা গ্ৰহণ কৰে উদ্যোক্তাসকলে। ঐতিহাসিক এই আচাৰ্যকৰ বাদুলী খোৰোংটোত যুগ যুগ ধৰি অসংখ্য বাদুলী একেলগে বসবাস কৰি আছিছে। জনবিশ্বাস মতে এই বাদুলীবোৰ হেনো ঋষিৰ অভিশাপত বন্দী হৈ থাকিব লগীয়া হৈছিল। এই বিশেষ ঠাই টুকুৰা কিয় বাদুলীৰ আশ্ৰয়স্থল হ'ল বা কিয় ইয়াত বাদুলিয়ে বাস কৰে, তাকে লৈ এতিয়াও হোৱা নাই কোনো বিজ্ঞানসন্মত অধ্যয়ন। কিন্তু এই আচাৰ্যকৰ দৃশ্য চাবলৈ প্ৰতিবছৰে শিৱৰাত্ৰিৰ এদিন পিছৰে পৰা আৰম্ভ হোৱা এই মেলালৈ আগমণ ঘটে অগণন কৌতূহলী লোকৰ। ৰূপালী জয়ন্তী বৰ্ষ উপলক্ষে এইবাৰো চাৰিদিনীয়াকৈ অনুষ্ঠিত ঐতিহাসিক মেলাত জিলাখনৰ বিভিন্ন স্থানৰ পৰা প্ৰতি দিনাই অগণন কৌতূহলী লোকে বাদুলিয়ে বাস কৰা এই আচাৰ্যকৰ ঠাইখিনি স্বচক্ষে চাবলৈ আহিছে। মেলাত দৰ্শনাৰ্থীসকলে বাদুলী খোৰোঙত প্ৰৱেশ কৰি নানা ধৰণৰ বাদুলী পৰ্যবেক্ষণ কৰাৰ উপৰিও ভক্তগণে বাদুলীথানত ধূপ-ধুনা, বন্তি প্ৰজ্বলনেৰে মনোবাঞ্ছা পূৰণৰ বাবে প্ৰাৰ্থনা জনায়। গুহাৰ ভিতৰত থকা হেজাৰ হেজাৰ বিভিন্ন প্ৰজাতিৰ বাদুলীৰ বিস্ময়কৰ দৃশ্যই দৰ্শনাৰ্থীসকলৰ মন শিহৰিত কৰি তোলে। উক্ত মেলাত প্ৰথমদিনা মেলা উদ্‌যাপন সমিতিৰ সভাপতি নবীন চন্দ্ৰ গগৈয়ে পতাকা উত্তোলন কৰাৰ পিছতই বন্তি প্ৰজ্বলন, বাদুলী খোৰোঙৰ দ্বাৰ উন্মোচন, খোৰোং প্ৰদৰ্শন আদি কাৰ্যসূচীৰ ৰূপায়ণ কৰা হয়।

# বীৰ চিলাৰায় দিৱস

■ **হিমাংশু ৰণ্জন ভূঞা,** জামুগুৰিহাট



অসমৰ ইতিহাসৰ পাতত কিছুমান নাম সোণালী আখৰেৰে লিখা হৈছে, যাৰ পোহৰে আজিও আমাক পথ দেখুৱাই আছে। তেনে এটা নাম হ'ল মহাবীৰ চিলাৰায়। তেওঁ কেৱল এজন যোদ্ধা নাছিল, তেওঁ আছিল এজন দূৰদৰ্শী নেতা, সংস্কৃতিৰ পৃষ্ঠপোষক আৰু আধ্যাত্মিকতাৰ প্ৰেমিক। তেওঁৰ জন্মদিনটো 'বীৰ চিলাৰায় দিৱস' হিচাপে পালন কৰা হয়, যি দিনটোত অসমীয়া সমাজে তেওঁৰ জীৱন আৰু কৃতিত্বক স্মৰণ কৰে। এই দিনটো কেৱল এটা উৎসৱ নহয়, ই এক প্ৰেৰণা, যিয়ে আমাক তেওঁৰ আদৰ্শ আৰু ত্যাগৰ কথা সোঁৱৰাই দিয়ে।

বীৰ চিলাৰায়ৰ প্ৰকৃত নাম আছিল শুক্লধ্বজ। তেওঁ কোচ ৰাজ্যৰ প্ৰতিষ্ঠাপক মহাৰাজ বিশ্বসিংহ আৰু ৰাণী পদ্মাৱতীৰ সন্তান আছিল। সৰুৰে পৰাই তেওঁৰ মাজত অসাধাৰণ বুদ্ধিমত্তা, সাহস আৰু নেতৃত্বৰ গুণৰ পৰিচয় আছিল। তেওঁৰ ভাতৃ ৰজা নৰনাৰায়ণৰ সৈতে কাশীত শিক্ষাগ্ৰহণ কৰি তেওঁ ৰাজনীতি, দৰ্শন আৰু যুদ্ধবিদ্যাৰ জ্ঞান অৰ্জন কৰিছিল। এই শিক্ষাই তেওঁক এজন দক্ষ ৰাজনীতিবিদ আৰু যুদ্ধবিদ হিচাপে গঢ়ি তুলিছিল।

চিলাৰায়ৰ সামৰিক কৌশল আছিল কিংবদন্তিময়। তেওঁৰ যুদ্ধপদ্ধতি আছিল দ্ৰুত আৰু প্ৰভাৱশালী। তেওঁৰ আটাইতকৈ উল্লেখযোগ্য সাফল্য আছিল আহোম ৰাজ্যৰ বিৰুদ্ধে কৰা অভিযান। ১৫৬৩ চনত তেওঁৰ নেতৃত্বত কোচ সৈন্যই আহোম ৰাজধানী গড়গাঁও দখল কৰে, যাৰ ফলত আহোম সৈন্যবাহিনীৰ মূৰ ভাগি পৰে। এই বিজয়ে কোচ ৰাজ্যৰ প্ৰতিপত্তি বহুপৰিমাণে বৃদ্ধি কৰে আৰু অসমৰ ইতিহাসত এক নতুন অধ্যায়ৰ সূচনা কৰে। আহোম ৰাজ্যৰ পিছত তেওঁ কছাৰী ৰাজ্যৰ বিৰুদ্ধেও অভিযান চলাই তাৰ ৰাজধানী মাইবং দখল কৰে। তেওঁৰ দ্ৰুত আৰু সুনিৰ্দিষ্ট অভিযানসমূহে কোচ ৰাজ্যৰ প্ৰভাৱ মণিপুৰ, জয়ন্তীয়া আৰু শ্ৰীহট্টলৈকে বিস্তাৰ কৰে। এই বিজয়সমূহে কোচ ৰাজ্যক এক শক্তিশালী ৰাজ্য হিচাপে প্ৰতিষ্ঠা কৰে।

যুদ্ধক্ষেত্ৰত তেওঁৰ দক্ষতাৰ বাহিৰেও চিলাৰায় আছিল এক গভীৰ আধ্যাত্মিক ব্যক্তিত্ব। তেওঁ শ্ৰীমন্ত শংকৰদেৱৰ নেতৃত্বত চলা নৱ-বৈষ্ণৱ ধৰ্মৰ একনিষ্ঠ অনুগামী আছিল। শংকৰদেৱ আৰু তেওঁৰ অনুগামীসকলৰ ওপৰত অত্যাচাৰ চলোৱা সময়ত চিলাৰায়ে তেওঁলোকক সহায় আৰু পৃষ্ঠপোষকতা প্ৰদান কৰিছিল। তেওঁৰ সমৰ্থন নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। চিলাৰায় আৰু শংকৰদেৱৰ মাজৰ সম্পৰ্ক কেৱল ৰাজনৈতিক নাছিল, বৰঞ্চ ই আধ্যাত্মিকতাৰ এক গভীৰ বান্ধোন আছিল। এজন যোদ্ধা আৰু এজন সন্তৰ মাজৰ এই সম্পৰ্কে শক্তি আৰু আধ্যাত্মিকতাৰ মাজৰ সমন্বয়ক প্ৰতিনিধিত্ব কৰে।

চিলাৰায়ৰ পৃষ্ঠপোষকতাত নৱ-বৈষ্ণৱ ধৰ্মে অসমত এক সাংস্কৃতিক পুনৰুজ্জীৱনৰ সূচনা কৰে। তেওঁ মন্দিৰ আৰু ধৰ্মীয় প্ৰতিষ্ঠান নিৰ্মাণক উৎসাহিত কৰিছিল, যাৰ জৰিয়তে শংকৰদেৱৰ শিক্ষা ৰাজ্যৰ প্ৰতিটো কোণলৈ প্ৰসাৰিত হৈছিল। তেওঁৰ প্ৰচেষ্টাই জনসাধাৰণৰ মাজত ঐক্য আৰু নৈতিক শক্তিৰ ভাৱনা জগাই তুলিছিল, যাৰ ফলত অঞ্চলটোৰ সাংস্কৃতিক অংগন সজোৱা হৈছিল। এই আধ্যাত্মিক পুনৰুজ্জীৱন তেওঁৰ সামৰিক সাফল্যৰ দৰেই গুৰুত্বপূৰ্ণ আছিল, যিয়ে কোচ ৰাজ্যক শক্তিশালী কৰাত সহায় কৰিছিল।

চিলাৰায় কেৱল এজন যোদ্ধা নাছিল, তেওঁ আছিল এজন দূৰদৰ্শী প্ৰশাসক। তেওঁৰ শাসনকালত কৃষি, বাণিজ্য আৰু পৰিবহণ ব্যৱস্থাৰ উন্নতি ঘটিছিল। তেওঁ পানীৰ সংৰক্ষণৰ বাবে পুখুৰী আৰু টেঙা খন্দাইছিল, লগতে ৰাজ্যৰ বিভিন্ন ঠাইত ৰাস্তা নিৰ্মাণ কৰিছিল। তেওঁৰ প্ৰশাসনিক সংস্কাৰসমূহে কোচ ৰাজ্যৰ ভেটি মজবুত কৰিছিল। চিলাৰায়ৰ সাংস্কৃতিক অৱদানো উল্লেখযোগ্য। তেওঁৰ ৰাজসভাত কবি, পণ্ডিত আৰু শিল্পীসকলক আদৰি লোৱা হৈছিল, যাৰ ফলত অসমীয়া সাহিত্য আৰু কলা-সংস্কৃতিৰ বিকাশ ঘটিছিল। তেওঁৰ পৃষ্ঠপোষকতাই অসমীয়া সংস্কৃতিৰ প্ৰচাৰ আৰু সংৰক্ষণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

১৫৭১ চনত গংগা নদীৰ পাৰত এক অভিযানৰ সময়ত চিলাৰায়ৰ মৃত্যু হয়। তেওঁৰ আকস্মিক মৃত্যুৱে কোচ ৰাজ্যক এক অপূৰণীয় ক্ষতিৰ সন্মুখীন কৰে। তেওঁৰ অৱৰ্তমানত ৰাজ্যখন তেওঁৰ নেতৃত্বৰ অভাৱত পিছলৈ হাহাকাৰ কৰে।

আজিও চিলাৰায়ৰ জন্মদিন 'বীৰ চিলাৰায় দিৱস' হিচাপে পালন কৰা হয়। তেওঁৰ স্মৃতিত অসম চৰকাৰে 'বীৰ চিলাৰায় বঁটা' প্ৰদান কৰে, যি সাহসী কাৰ্য আৰু অসামান্য সেৱাৰ বাবে প্ৰদান কৰা হয়। এই অনুষ্ঠানসমূহে তেওঁৰ স্মৃতি জীয়াই ৰাখিছে আৰু তেওঁৰ জীৱনৰ শিক্ষা নতুন প্ৰজন্মলৈ আগবঢ়াইছে।

বীৰ চিলাৰায়ৰ জীৱন সাহস, দূৰদৰ্শিতা আৰু নিষ্ঠাৰ এক উজ্বল উদাহৰণ। তেওঁ কেৱল এজন যোদ্ধা নাছিল, তেওঁ আছিল এজন সংস্কৃতি নিৰ্মাতা আৰু সমাজ সংগঠক। তেওঁৰ জীৱনৰ পৰা আমি শিকিব পাৰো যে শক্তি আৰু নম্ৰতা, সাহস আৰু জ্ঞানৰ সমন্বয়েই এজন সত্যিকাৰ নেতা গঢ়ি তোলে। বীৰ চিলাৰায়ৰ জীৱন আৰু কৃতিত্ব আজিও আমাক ঐক্য, ন্যায় আৰু প্ৰগতিৰ পথত আগবাঢ়িবলৈ প্ৰেৰণা যোগায়।

বীৰ চিলাৰায় দিৱস কেৱল এটা উৎসৱ নহয়, ই এক প্ৰেৰণা, যিয়ে আমাক তেওঁৰ আদৰ্শ আৰু ত্যাগৰ কথা সোঁৱৰাই দিয়ে। এই দিনটোত আমি তেওঁৰ জীৱনৰ পৰা শিকিবলগীয়া মূল্যবোধসমূহক স্মৰণ কৰো আৰু আমাৰ সমাজত সেইবোৰ প্ৰয়োগ কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হওঁ। বীৰ চিলাৰায়ৰ জীৱনৰ শিক্ষা আজিও আমাক পথ দেখুৱাই আছে, আৰু তেওঁৰ স্মৃতি আমাৰ হৃদয়ত চিৰস্থায়ী হৈ থাকিব।

(লিখক জামুগুৰিহাটৰ পৰা প্ৰকাশিত বৈদ্যুতিন আলোচনী 'সাম্প্ৰতিক'ৰ মুখ্য সম্পাদক)

**ম'বাইল ঃ** ৯৪৩৫৩-৮৬০৪০

# ভাৰতীয় ভাষা সংস্থানৰ উদ্যোগত 'প্ৰথম বুকছ'ৰ গ্ৰন্থ উন্মোচনী সভা

## চৈয়দ মুকিবুৰ ৰহমানৰ ১২ খন অনুবাদ শিশু গ্ৰন্থ উন্মোচন

**গুৱাহাটী ঃ** কৰ্ণাটকৰ মহীশূৰৰ ভাৰতীয় ভাষা সংস্থানৰ উদ্যোগত বাংগালুৰুৰ স্বেচ্ছাসেৱী অনুষ্ঠান প্ৰথম বুকছৰ সহযোগত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভাষাতত্ত্ব বিভাগৰ প্ৰেক্ষাগৃহত চৈয়দ মুকিবুৰ ৰহমানৰ ১২ খন অনুবাদ গ্ৰন্থ ৪ মাৰ্চৰ পুৱা উন্মোচন কৰা হয়। ভাৰতীয় ভাষা সংস্থানৰ গুৱাহাটীস্থিত পূৰ্বোত্তৰ ক্ষেত্ৰীয় ভাষা কেন্দ্ৰ আৰু ভাষাতত্ত্ব বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়ে দুদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা 'ভাৰত- এক ভাষিক ক্ষেত্ৰ- উত্তৰ পূৱ ভাৰতৰ বৈচিত্ৰৰ পৰিধি' শীৰ্ষক ৰাষ্ট্ৰীয় সন্মিলনৰ উদ্বোধনী কাৰ্যসূচীত অংশগ্ৰহণ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° ননী গোপাল মহন্ত, চি. আই. আই. এল.ৰ বিষয়া অলিন্দ্ৰ ব্ৰহ্ম, চি. আই. আই. এল.ৰ অৱসৰপ্ৰাপ্ত বিষয়া এল. ৰামামূৰ্তি, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভাষাতত্ত্ব বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° জ্যোতিপ্ৰকাশ তামুলী আৰু প্ৰথম বুকছৰ মুখ্য কাৰ্যবাহী বিষয়া হিমাংশু গিৰিয়ে গ্ৰন্থসমূহ উন্মোচন কৰে। অনুষ্ঠানত প্ৰথম বুকছৰ হৈ হিমাংশু গিৰিয়ে প্ৰথম বুকছৰ শৈক্ষিক কাম-কাজৰ বিষয়ে চমু বক্তব্য আগবঢ়ায় আৰু মাতৃভাষাৰ গুৰুত্ব সম্পৰ্কীয় এখন চুটি ছবি প্ৰদৰ্শন কৰে। প্ৰথম বুকছৰ হৈ অনুবাদ কৰ্মত সহযোগিতা আগবঢ়োৱা বিশ্বদীপ গগৈয়েও অনুষ্ঠানত চমুকৈ অনুভৱ ব্যক্ত কৰে। একেটা অনুষ্ঠানতে বিশ্বদীপ গগৈ, খামুন ফুকন আৰু মৃদুপৱন পৰাশৰৰো কেইবাখনো শিশু উপযোগী অনুবাদ গ্ৰন্থ উন্মোচন হয়। এই অনুষ্ঠানত ভাৰতবৰ্ষৰ বিভিন্ন মহাবিদ্যালয় বিশ্ববিদ্যালয়ৰ শতাধিক গৱেষক ছাত্ৰ-ছাত্ৰী, শিক্ষকে অংশগ্ৰহণ কৰে। অনুষ্ঠানত ভাষাতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক ড° গীতাঞ্জলি বেজৰ শলাগৰ শৰাই পাছতে জাতীয় সংগীত পৰিৱেশন হয় আৰু অনুষ্ঠানৰ সামৰণি পৰে।

# মায়াৰ মৰীচিকা...

■ **নাচিমা য়াচমিন**
বিশ্বনাথ চাৰিআলি।

মায়া- পৃথিৱীৰ আটাইতকৈ শক্তিশালী আৰু ভয়ংকৰ এটি অনুভৱ। এইয়া প্ৰথমতে স্নেহৰ নাৰ্মিক ছাঁৰে আৰম্ভ হয়, কিন্তু ক্ৰমান্বয়ে হৃদয়ৰ প্ৰতিটো কোণ আৱৰি ধৰে। এদিন যদি মানৱাত্মাই মায়াৰ জালত বন্দী হৈ পৰে, তেন্তে প্ৰত্যাৱৰ্তনৰ পথ যেন অদৃশ্য হৈ যায়।

এই মায়াই মানুহক গঢ়ি তোলে, স্নেহ-ভালপোৱাৰ প্ৰৱাহত আৱদ্ধ কৰে। কিন্তু একেদৰে, ই এনে এক শৃংখল, যিয়ে মানুহক অদৃশ্য বন্ধনিত বান্ধি ৰাখে।

সম্পৰ্কৰ মায়া, সপোনৰ মায়া, অতীতৰ মায়া-সকলোতে এনে কৌশলে আবিষ্ট কৰে যে, মুক্তিৰ আশা কৰিও জীৱই মুক্তিৰ ক্ষুদ্ৰ কণা এটিও দেখি নাপায়।

কেতিয়াবা আমি জানো, কিছুমান সম্পৰ্ক, কিছুমান সপোন, কিছুমান অনুভূতি আমাৰ বাবে ক্ষতিকাৰক, তথাপিও মায়াৰ ঘোৰ প্ৰভাৱত পৰি আমি আঁতৰি যাব নোৱাৰো। নিজকে নিৰ্বাপিত কৰি হ'লেও সেই মায়াৰ শিকলি ডাল চিঙি নোযোৱাকৈ খামুচি ধৰোঁ।

মূলতে, মায়াৰ আটাইতকৈ ভয়ংকৰ দিশটো হ'ল-ই মানৱ বুদ্ধিক পৰাভূত কৰে। আমি জানো, এইয়া ধ্বংসাত্মক, তথাপিও মুক্তি ল'ব নোৱাৰোঁ।

তেন্তে কি মায়াৰ পৰা উদ্ধাৰৰ কোনো উপায় নাই? নিশ্চয় আছে।

যদি আমি উপলব্ধি কৰোঁ যে, এই সংসাৰত একো স্থায়ী নহয়। সময়ৰ গতিত সকলো সলনি হয়-মানুহ সলনি হয়, পৰিস্থিতি সলনি হয়। সপোন, আশা, পথ সকলো সলনি হয়। মায়া মাথোঁ মানৱ মনক দুৰ্বল কৰে, কিন্তু জীৱন গঢ়িবলৈ আমাক সাহস লাগে।

মায়াক নিয়ন্ত্ৰণ কৰিব শিকিব লাগিব, নতুবা মায়াই আমাক নিয়ন্ত্ৰিত কৰিব। নিজক ভাল পাব শিকা উচিত। অতিমাত্ৰা সকলো হেনো বিষৰ দৰে।

আৰু বুজিব শিকা উচিত-মায়া হ'ল এটি সুন্দৰ অনুভৱ অথচ এক কঠিন ফাঁদ, যাৰ অন্তিম সীমাত অপেক্ষা কৰে কেৱল মাত্ৰ নিঃসঙ্গতাৰ গভীৰ অন্ধকাৰ।

# শিৱসাগৰ জিলাত মুঠ ৭৭ গৰাকী বিনিয়োগকাৰীৰে বুজা বুজি চুক্তি (MOU) স্বাক্ষৰ অনুষ্ঠান সম্পন্ন

**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** অসমৰ চৰকাৰৰ বহু প্ৰতীক্ষিত 'এডভাণ্টেজ আছাম ২.০' শীৰ্ষক বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনৰ লগত সংগতি ৰাখি জিলা পৰ্যায়ত অনুষ্ঠিত হোৱা বুজা-পৰাৰ চুক্তি স্বাক্ষৰ অনুষ্ঠান (MoU signing ceremony) যোৱা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত শিৱসাগৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ চুকাফা সভাকক্ষত অনুষ্ঠিত হৈ যায়। ২৫ ফেব্ৰুৱাৰীত পুৱা ১০.৩০ বজাত গুৱাহাটীত অনুষ্ঠিত হোৱা উদ্বোধনী অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ কৰাৰ লগতে অসম চৰকাৰৰ কৃষি বিভাগ, উদ্যোগ আৰু বাণিজ্য বিভাগ, মীন বিভাগ, পৰ্যটন বিভাগ, হস্ততাঁত আৰু বস্ত্ৰ-শিল্প বিভাগৰ জিলা পৰ্যায়ত বিনিয়োগ কৰিব বিচৰা বিনিয়োগকাৰীসকলে এই অনুষ্ঠানত অসম চৰকাৰৰ সৈতে হোৱা বুজা বুজি চুক্তিত স্বাক্ষৰ কৰে। উল্লেখ্য যে, শিৱসাগৰ জিলা প্ৰশাসনৰ উদ্যোগত আৰু জিলা উদ্যোগ আৰু বাণিজ্য বিভাগৰ সহযোগত অনুষ্ঠিত হোৱা সভাত জিলাখনৰ সৰ্বমুঠ ৭৭ গৰাকী বিনিয়োগকাৰীৰে মুঠ ১২৫.৮৮ কোটি টকাৰ বিনিয়োগ চুক্তি স্বাক্ষৰ কৰে। এই চুক্তিসমূহৰ জৰিয়তে ১৩০৪ গৰাকী যুৱক-যুৱতীৰ প্ৰত্যক্ষ আৰু পৰোক্ষ সংস্থাপনৰ আশা কৰা হৈছে।

## সোঁৱৰণীৰ সৌধ

**টোলন তছা**

জখলাবন্ধা,নগাঁও
সাগৰ যেতিয়া নামি আহে
এটোপ এটোপকৈ
মেঘাচ্ছন্ন আকাশৰ পৰা

চিৰালফাট মৰা হৃদয়ে
দীঘলকৈ হুমুনিয়াহ কাঢ়ে
থুতৰিলৈকে ওলমি আহে
অব্যক্ত বেদনাৰ ভাষা

জিলিকি উঠে সোঁৱৰণীৰ সৌধ
জীপাল হয় আবেগৰ ধৰা
তুমি কোন মই কোন
এতিয়া চিনিয়ে নাপাঁওচোন
যেন সৰি পৰা পপীয়া তৰা

**ম'বাইল ঃ** ৮৪৮৬০-৬৮৩৯০

## নাৰী

**আয়শা ছিদ্দিকা (আছৰি)**

বাংলিপাৰা, বৰপেটা

নাৰী তুমি মহিয়সী
তুমিয়েই অনন্যা
সংসাৰৰ বিশও
পঞ্চামৃত বুলি
পিয়া আজীৱন।
নাৰী তুমি এক
সৎ বীৰ যোদ্ধা
প্ৰতিটো ক্ষণে
যুঁজ দি যোৱা
নিয়মৰ আবদ্ধ ঘেৰৰ
লৌহ পিঞ্জিৰাৰ সৈতে....
নাৰী তুমিয়েই অপূৰ্ণা
পূৰ্ণ নহয় তুমিহীনে
জাগতিক বিশ্বৰ
মানৰ জাতিও
হয় আধৰুৱা....

**ম'বাইল ঃ** ৯৩৬৫৬-৮১৯৬৮

## ৰজাবোৰ কিয় আহে

**ফুকন কৈৱৰ্ত**

ৰামপুৰ

ৰজাবোৰ আহে বসন্ত ঋতু দৰে,
ফাগুনী উলাহত বৰদৈচিলাজনীৰ কিনো চাবা খৰধৰ
সাধাৰণ লোকবোৰলৈ যেন কঢ়িয়াই আনিব এবুকু সুখ....
সৰ্বত্ৰে ৰজনজনাই উঠিব ৰাজকীয় আদৱ-কায়দা
ৰজাবোৰ আহিলে ৰাস্তাবোৰ চিকুণাই পেলোৱা হয়,
কদৰ্যময় মলিনতাক দলিয়াই পেলোৱা হয় লুইতত;
লুইতৰ নো কি আহে যায়, সিতো সহিবলৈয়ে জন্মিছে পৃথিৱীৰ বুকুত
ৰাজহুৱা গাড়ী-মটৰবোৰৰ নাকী লাগি যায় ৰজাৰ আগমণত
যাত্ৰাময় বাট-পথত হতাশগ্ৰস্ত হৈ পৰে মানুহ,
কৰ্তব্যৰ তাগিদাত নিদ্ৰা হৰণ বহু মন মগজু,
তথাপিতো মনৰ উদ্যমিতাক চন পৰিব নিদিয়ে সাধাৰণ জনতাই,
কৰি যায় যমৰ যাতনা ভোগা ৰাইজৰ সেৱা আৰু প্ৰতিকাৰ।
ৰজাবোৰ আহিলেই দুখবোৰ পোত গৈ
সুখৰ অৰণ্য এখন পুনৰ ঠন ধৰি উঠাতো মোৰ দৰে বহুজনৰ সৰুকালিৰ সপোন,
কিন্তু সেয়া জানো বাস্তৱত মিলে।
ৰজাৰ শক্তি আৰু প্ৰজাৰ বিপত্তি
এয়াইতো প্ৰজাগনৰ নগুৰ-নাগতি।

**ম'বাইল ঃ** ৯৬১৩৪-৯১৪৮৯

## একান্তভাৱে মই

**বিনিময় দাস**

ফাগুন আহিল-
অপেক্ষাত আছো,
তুমি কেতিয়া ৰং দিবা মোৰ মুখত,
অনুভৱত মোৰ মন
সাঁতুৰি আছে অকল্পনীয় সুখত।
তুমি কেৱল বছৰত এবাৰ
ৰং দিয়া মোক হোলীত,
আৰু এইফালে মই
প্ৰতিদিনেই তোমাৰ প্ৰেমেৰে
ৰং সানো
মোৰ একান্ত অকলশৰীয়া গলিত ।

**ম'বাইল ঃ** ৯৪৩৫৫-৩৭৫৯১

## শীত

**ৰঞ্জুলা শৰ্মা**, গুৱাহাটী

কুঁৱলীৰ বগা চাদৰখনৰ আঁৰত
মুখ লুকুৱাই নৈখনে কান্দে।
শীতৰ উদ্ধত বতাহজাকৰ তালে তালে গছবোৰে
নাঙঠ শিশুহে ওমলে।
বিদীৰ্ণ উদ্দীপনৰ শিপা
বিষাদ বেদনাত ৰোহঘৰত জৰ্জৰিত আহত প্ৰকৃতি।
তথাপিও ফুল ফুলে।
মৰুৰ বুকুত ফুলা 'ওৰেচিচ'ৰ দৰে।
আকণ্ঠ তৃষাৰ আতুৰতাত এটোপাল অমৃত জলৰ দৰে।
ফুল ফুলে বাসনাৰ।
ফুল ফুলে সৃজনৰ।

## ফাগুনৰ কথকতা

**ৰশ্মি ৰেখা দুৱৰা**

বৰপথাৰ কোঁৱৰ গাঁও

লাজ ঢাকিবৰ বাবেও একো নাই
'ফাগুন' তই সঁচায়ে বাউলি অ'
পলাশ, মদাৰ, শিমলুবোৰো সৰিল
হাঁহিলেও মোৰ ভুল নাই
বাউলি ফাগুনে পছোৱাজাকত মাতাল হৈ
উৰুৱাই লৈ গ'ল দেহৰ পোছাক

পুৰণি হৈছিল, ক'ৰবাত ফাটিছিল
বেজীৰ জলঙাৰে টাপলি মৰালৈ বৈ নাথাকিল
ডেকা-গাভৰুৰ মন তয়েই উতলা কৰিছ
উন্মনা ফাগুনত উতনুৱা হৈ
দুখনি হৃদয়েৰে সপোন ৰচিছে

তোৰ দেহত পুনৰ ভৰিব হাজাৰযোৰ পোছাকে
কঢ়িয়াই আনিব ৰঙৰ বাতৰি
কোনে? 'ফাগুন' তই দি গ'লি এসোপামান লাজ
লাজৰ ওৰণি ঢাকিবলৈ কোন আহিব?

মই নাহোঁ, বসন্তৰ বিননিত চ'ত-ব'হাগে আনিব
সেউজীয়া ৰঙৰ পোছাক
ঢোল-পেঁপাই লহৰ তুলিব
নাচনীয়ে দুহাত মেলি নাচিব
ধূলিয়ৰি বাটেৰে কঢ়িয়াই আনিব ৰঙৰ সৌৰভ

তোৰ ডালতেই বহু পক্ষীয়ে গীত জুৰিব
তই আনন্দত বিভোৰ হ'বি,
নতুনৰ সুবাসত তোক নাপাহৰোঁ
পুনৰ সোঁৱৰিম,
উকা শৰীৰে জীৱন কটোৱা যে কিমান কঠিন

ভাবিছিলোঁ শূন্যতেই সৰ্বস্ব শেষ
শেষ নহয় নতুনৰ শুভাৰম্ভণিহে
সেউজীয়া পোছাকত শুৱাই তুলিবনে মোক
নুশুৱালেও কথা নাই
বহুদিনৰ অন্তত মন ভৰাই তুলিব।

**ম'বাইল ঃ** ৬০০০৬-৮২১৮৩

## এজাক বৰষুণৰ কামনাৰে

**নাছিৰ আহমেদ,**

শিমলাবাৰী গোৱালপাৰা

এজাক বৰষুণৰ কামনাৰে
মই বৈ আছো পদূলি মুখলে
পছোৱা নিলাজ বতাহজাকে বৈ আছে
বাৰে বাৰে বুকুৰ আঁচল খহাই।
ধূলিয়ৰি আকাশখনে ঘোপাকৈ চাইছে
আইতাকৰ নিষ্পলক ঘোলা চকুযুৰিৰ দৰে।

গছবোৰ লঠঙা হৈ পৰিছে
সৰাপাতৰ মৰ্মৰ ধ্বনিতো মৃত্যুৰ যন্ত্ৰণা।

গছৰ ডালত লুকাই লুকাই কুলিটি ভুমুকি মাৰিছে
এজাক বৰষুণৰ কামনাৰে।
মই বৈ আছো পদুলি মুখলে।
চঞ্চলা গাভৰুজনী নৈৰ পাৰলৈ যায়,
মুখত ৰিব ৰিব বসন্তৰ আগমণি গীত
উঠন বুকুত মৰুভূমিৰ শুকান হাহাকাৰ।

কেতিয়া তাইৰ গা মূৰ তিঁৱাই দিব এজাক বৰষুণ
বাজিব মাদল, বাজিব শঙ্খ কাহ
ঢোল- খোলৰ তাক ধিনা ধিন, ধিনা ধিন মাতত

মৰুৰ বুকুত নামিব মৰুদ্যান
গাভৰুজনীৰ হিয়াত ফুলি উঠিব
ৰঙচুৱা মদাৰ, পলাশ আৰু কৃষ্ণচূড়া ফুল।

এজাক বৰষুণৰ কামনাৰে
মই বৈ আছো পদুলি মুখলে
কেতিয়া অশান্ত হৃদয় মোৰ পৰিব শাঁত
কেতিয়া জ্বলাই যাম নৰতম সৃষ্টিৰ শলিতা।

**ম'বাইল ঃ** ৯১০১৪-৬৫৮০৫

## কিনো দিন আহিল ঐ

**শুৱলা দাস,** যোৰহাট

আই ঐ
কিনো হ'ল
কিনো দিন আহিল ঐ।
সময়ৰ জোখতকৈ
কামবোৰ বেচি হ'ল
মানুহৰ জোখাৰে
মৰমবোৰ কমি গ'ল।
টকাৰ জোখাৰে
প্ৰয়োজন আৰু অভাব বেচি হ'ল
যোগ্যতাৰ জোখাৰে
সপোনবোৰ ডাঙৰ হ'ল।
কৰ্মথ শৰীৰবোৰ
সপোন বিলাসী হ'ল।
তোক মাৰি মই খাওঁ
জাকত জিলিকি থাকোঁ
দিনতে আকাশৰ তৰাহে।
এই ভাৰে গো-গ্ৰাসে গিলিল ঐ।
আই ঐ কিনো দিন আহিল ঐ।

**ম'বাইল ঃ** ৭০০২৪-৬৯৮৪১

## সপোনৰ ছায়াযাত্ৰা

**নাচিমা য়াচমিন,**

বিশ্বনাথ চাৰিআলি

কিছু কথা হওঁক,
তোমাৰ বিষয়ে,
কিছু কথা হওঁক
মোৰ বিষয়ে।
আৰু কিছু কথা হওঁক আমাৰ বিষয়ে।
স্মৃতিৰ পাতত আঁকি থোৱা
হৃদয়ৰ গোপন অনুভূতিৰ টোপোলাখনি
এজনে আন জনৰ নামত
সপোন ৰচা আশাখিনি।
সেই অপ্ৰকাশিত নীৰৱ
সন্ধ্যাবোৰৰ কথাখিনি।

কিছু গল্প হওক,
তোমাৰ বিষয়ে,
কিছু গল্প হওঁক মোৰ
মোৰ বিষয়ে,
আৰু কিছু গল্প হওঁক আমাৰ বিষয়ে।
মান-অভিমান, খং- মৰম
এৰা-ধৰা সম্পৰ্কৰ ধৰম।

জীৱনৰ সোঁৱৰণি ভৰা পাতত,
অমলিন সপোনৰ অক্ষৰবোৰে
লিখি ৰখা আমাৰ কথা।
মিঠা-তিতা কাহিনীৰ আধাৰত
লিখা আমাৰ দুয়োৰে প্ৰেম গাঁথা।

কিছু সপোন হওক,
উশাহৰ দৰে মিঠা,
কিছু হওঁক নিমৰ দৰে তিতা।
আন কিছু হওঁক
নিদ্ৰাৰ চকুত সাঁচি থোৱা
গভীৰ আকাশৰ তৰা।

তোমাৰ মনত উলমি থাকক
এক ব্যাকুল অপেক্ষাৰ হেঁপাহ,
সূৰ্য্য উদয়ৰ ৰঙীণ কুঁহিপাতত
উজ্বলি উঠক নতুন সপোনৰ উশাহ।

**ম'বাইল ঃ** ৭০৯৯৩-৮৯৭৫৫

## পুতলাৰ ঘৰ

**■ শৈলেন কুমাৰ**

মিৰ্জা, কামৰূপ

সত্য আৰু সততা স্বাৰ্থপৰ মানুহৰ বাবে এক নিমিলা অংক । ঘৰখন বনোৱাতে ধৰ্মই মজবুত কৰিয়েই বনাইছিল কিন্তু কাঠখিনিত অজ্ঞানতা আৰু মূৰ্খামিৰ অদৃশ্য পলস গা কৰি উঠিছিল যিটো সি কৰ্মস্পৃহাত প্ৰত্যক্ষ কৰা নাছিল । আৰু লাহেলাহে ঘৰখন ঘুণে ধৰিবলৈ ধৰে । মন্দিৰ সদৃশ ঘৰখন এতিয়া আনৰ ৰিমটত চলা পুতলাৰ ঘৰত ৰূপান্তৰিত হ'লগৈ । এতিয়াও ঘৰখনৰ মন্দিৰত শংখ,ঘণ্টা বাজে কিন্তু ঘৰখন ঘৰ কৰি ৰখা জনৰ অন্তৰে যন্ত্ৰণা আৰু বিষাদত কান্দে ।

**ম'বাইল ঃ** ৭০০২৮-১৬১৪৬

# চিকিৎসক পুত্ৰ ঃ সমাজৰ একপক্ষীয় দৃষ্টিভংগী

**ৰেকিবুল হক ঃ** বাতৰিটো চাইছোঁ। চাই আচলতে দোধোৰ-মোধোৰ অৱস্থাত পৰিছোঁ। কেতিয়াবা পুত্ৰ হিচাপে বহু কথাই ক'ব মন যায়। কেতিয়াবা গোটেই সমাজখনক বৰ্জন কৰি কৰবাত অকলে থাকিব মন যায়। কেতিয়াবা সুধিব মন যায় আমাৰ ভুল কি আছিল বুলি? কিন্তু মনৰ খং মনত পুহি ৰখা হয়, নিজে নিজে দহি থকা হয়। কেতিয়াবা অমানুহ পৰ্যন্ত হ'ব মন যায়। কোনে খবৰ ৰাখে? নাজানোঁ ডাক্তৰ পুত্ৰই বছৰ বছৰ ধৰি পুঞ্জীভূত হোৱা আৱেগিক আৰু মানসিক যন্ত্ৰণাত এনে কৰিছে? কিন্তু সকলো ক্ষেত্ৰতে পুত্ৰ দোষী হয় নে? পুত্ৰৰ বুকুত জ্বলি থকা জুইকুৰাৰ উমান কোনোবাই লয় নে? আজি এটা কথা অকপটে, আচলতে নিৰ্লজ্জভাৱে স্বীকাৰ কৰিব মন যায় যে মই ভুক্তভোগী ইছলামিক প্ৰথা মতে চলি থকা বহু বিবাহৰ বাবে। এইখন সমাজত এগৰাকী পত্নী থাকিও অন্য এগৰাকী ছোৱালীক কেৱল বহু বিবাহৰ বিধান থকা বাবেই পুনৰ বিবাহ কৰাই, সন্তান জন্ম দি ঘৰৰ বাহিৰ কৰি দিয়া পিতৃও আছে। তেতিয়া কোনেও 'জাষ্টিফাই' কৰিব নাযায় পিতৃয়ে কিয় এই অমানৱীয় কাম কৰিলে বুলি। কিন্তু বাতৰি এটা ওলাইছে বাবে 'যত দোষ নন্দ ঘোষ, সকলো পুত্ৰৰ দোষ।'

প্ৰথম পৃষ্ঠাৰ পৰা

## নতুন দিল্লীৰ বিজ্ঞান ভৱনৰ আৰ্হিত এই সন্মিলন কেন্দ্ৰটো নিৰ্মাণ কৰা হ'ব ঃ মুখ্যমন্ত্ৰী

ব্লকত ২৬ টা টাইপ ৱান, ৩ টা টাইপ টু, ৩ টা টাইপ থ্ৰী অতিথি কক্ষ থাকিব। তদুপৰি, এই অতিথিশালাটোত ৪ টা ভি ভি আইপি ছুইট, ১ টা ৰাষ্ট্ৰপতিৰ ছুইট, মিডিয়া ব্ৰিফিং ৰুম, মিডিয়া লাউঞ্জ আৰু ব্যায়ামগাৰো থাকিব। আনহাতে, ৫০০ খন বাহন ৰাখিব পৰা বেছমেণ্ট পাৰ্কিঙত এছটিপি, ইউ জি আৰ চাবষ্টেশ্যনৰ ব্যৱস্থা কৰা হৈছে। নিৰ্মীয়মান সন্মিলন কেন্দ্ৰটো পৰ্যবেক্ষণ কৰাৰ পিছত সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰীয়ে কয় যে নতুন দিল্লীৰ বিজ্ঞান ভৱনৰ আৰ্হিত এই বৃহৎ সন্মিলন কেন্দ্ৰটো নিৰ্মাণ কৰা হ'ব। কেন্দ্ৰটোৰ ৪০ শতাংশ নিৰ্মাণকাৰ্য বৰ্তমান সম্পূৰ্ণ হৈ উঠিছে। অহা বছৰ প্ৰথমভাগত এই সন্মিলন কেন্দ্ৰটো মুকলি কৰাৰ আশা কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে এই সন্মিলন কেন্দ্ৰটো নিৰ্মাণ হৈ উঠিলে খানাপাৰা পশুচিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত সদ্য অনুষ্ঠিত 'এডভাণ্টেজ আছাম ২.০' সন্মিলন আদিৰ দৰে বৃহৎ অনুষ্ঠান ইয়াত অনুষ্ঠিত কৰিব পৰা যাব। তদুপৰি ইয়াৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হৈ উঠাৰ লগে লগে পূব ভাৰতত যিমানবোৰ সন্মিলন আয়োজিত হ'ব সেইসমূহ এই কেন্দ্ৰটোতে অনুষ্ঠিত কৰিব পৰা যাব। ইয়াৰ জৰিয়তে হোটেল আদি আনুষংগিক ব্যৱসায়ৰ প্ৰয়োজন বৃদ্ধি পাব আৰু জনসাধাৰণ অৰ্থনৈতিকভাৱে উপকৃত হ'ব। আনহাতে অৰ্থনৈতিক কাম-কাজ তথা চিকিৎসা সন্মিলন, বাণিজ্যিক সন্মিলন আদি বৃহৎ বৃহৎ সন্মিলনসমূহ বৰ্তমান কলকাতাত অনুষ্ঠিত হৈ থকাৰ পৰিৱৰ্তে গুৱাহাটীত অনুষ্ঠিত কৰাৰ সুবিধা উপলব্ধ হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে এই কেন্দ্ৰটো পূৱ ভাৰতৰ ভিতৰত অদ্বিতীয় সন্মিলন কেন্দ্ৰ হিচাপে পৰিগণিত হ'ব। এই পৰিদৰ্শনকালত মুখ্য সচিব ড° ৰবি কোটা প্ৰমুখ্যে লোকনিৰ্মাণ বিভাগৰ শীৰ্ষবিষয়াসকল উপস্থিত থাকে। আনহাতে মুখ্যমন্ত্ৰী ড° শৰ্মাই গুৱাহাটীৰ খানাপাৰাত উপস্থিত হৈ ৫ হাজাৰ আসনবিশিষ্ট নিৰ্মীয়মান প্ৰেক্ষাগৃহটোৰ নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰ বুজ লয়। তেওঁ সময় নিৰ্ধাৰিত আৰু যথোচিতভাৱে এই প্ৰেক্ষাগৃহটোৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰি তুলিবলৈ বিভাগীয় বিষয়াসকলক যাৱতীয় নিৰ্দেশনা প্ৰদান কৰে। এই পৰিদৰ্শনকালত মুখ্য সচিব ড° ৰবি কোটা প্ৰমুখ্যে লোকনিৰ্মাণ বিভাগৰ শীৰ্ষবিষয়াসকল উপস্থিত থাকে।

## মহামৃত্যুঞ্জয় মন্দিৰত মুখ্যমন্ত্ৰী পত্নী ৰিণিকি ভূঞা শৰ্মাৰ মন্দিৰত পূজা-অৰ্চনা

হৰিদ্বাৰৰ পৰা গংগাজল আনি পৱিত্ৰ শিৱৰাত্ৰিৰ দিনটোত নগাঁও ভেৰভেৰীস্থিত মহামৃত্যুঞ্জয় মন্দিৰত জলাভিষেক কৰিলে এজন যুৱকে। যুৱকজন হৈছে হোজাই জিলাৰ লংকাৰ নিৱাসী বিকাশ চৌহান। চাৰি ধাম, ১২ জ্যোতিলিংগ দৰ্শনৰ উদ্দেশ্যে বিকাশে চাৰিমাহ পূৰ্বেই ঘৰৰ পৰা ওলাই গৈ পৱিত্ৰ মহাশিৱৰাত্ৰিৰ দিনটোত মহামৃত্যুঞ্জয় মন্দিৰত গংগাজলেৰে জলাভিষেক কৰিবৰ বাবে সেইদিনা পুৱাবেলাতে উপস্থিত হয় মন্দিৰত। যাত্ৰাপথত বহু কষ্টৰ সন্মুখীন হোৱাৰ পিছতো কেৱল অসমবাসীৰ কুশল-মঙ্গলৰ উদ্দেশ্যে লোৱা মহাপ্ৰণ পূৰ্ণ কৰিব পৰাত নথৈ আনন্দিত বুলি সাংবাদিকক জনালে বিশালে। মহাদেৱৰ জয়ধ্বনিৰে মহামৃত্যুঞ্জয় মন্দিৰলৈ বাটবুলা যাত্ৰাত বিকাশক সহযোগ কৰা পৰিলক্ষিত হ'ল নগাঁৱৰ একাংশ ভক্তপ্ৰাণ যুৱকেও। সন্ধ্যা ভাগত মুখ্যমন্ত্ৰী পত্নী ৰিণিকি ভূঞা শৰ্মাই মন্দিৰত পূজা অৰ্চনা কৰে।। ইফালে বৰ্হমপুৰ শিৱস্থান, চলচলি ভূতনাথ বাবাৰ থান, দালেখোৱা শিৱ মন্দিৰকে ধৰি পুৰণিগুদাম, বৰ্হমপুৰ, উৰিয়া গাঁও আদি অঞ্চলত থকা শিৱ মন্দিৰসমূহত পুৱাৰে পৰা ভক্তৰ সমাগম হয়।

## লোকপ্ৰিয় বৰদলৈ এম. ই বিদ্যালয়ত হাতেলিখা আলোচনী 'প্ৰতিবিম্ব' উন্মোচনত হেমন্ত চৌধুৰী

দিৱস উপলক্ষে ছাত্ৰ- ছাত্ৰীসকলে দেখুওৱা বিজ্ঞান প্ৰদৰ্শনী, বাৰ্ষিক খেল-ধেমালি, নৃত্য-গীতৰ অনুষ্ঠানৰ মাজেৰে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সহঃবিদ্যায়তনিক দিশটোও সুন্দৰভাৱে প্ৰতিফলিত হৈছে। আমি সাধাৰণতে দেখা পাওঁ যে অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহ ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ তুলনাত পিছপৰা। কিন্তু এই বিদ্যালয়লৈ আহি দেখিছো এই বিদ্যালয়খন ইংৰাজী মাধ্যমৰ বিদ্যালয়ক ফেৰ মাৰিব পৰা এখন বিশেষ বিদ্যালয়। প্ৰধান শিক্ষকৰ সুন্দৰ পৰিচালনাত আগবঢ়া এই বিদ্যালয়খন কামৰূপ মহানগৰ জিলাৰ ভিতৰত জাকত-জিলিকা হৈ থাকক তাৰেই কামনা কৰিলোঁ। আমিও যথাসম্ভৱ এই বিদ্যালয়খনক অনাগত সময়ত সহায়-সহযোগিতা আগবঢ়াম। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে বিশ্ববিদ্যালয় মণ্ডলৰ সভাপতি চিন্ময় শৰ্মা, ৯ নং ৱাৰ্ডৰ পাৰিষদ অৰ্চনা দাস বাইদেউ, গুৱাহাটী জিলা মধ্য ইংৰাজী শিক্ষক সংস্থাৰ সভাপতি গোলোক চন্দ্ৰ দাস, অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক গোপাল চন্দ্ৰ ঠাকুৰীয়া, অক্ষৰ ফাউণ্ডেচনৰ জোন চুপাৰভাইজাৰ ত্ৰিদিপ চৌধুৰী আৰু অধিবক্তা পলি চৌধুৰী। বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকল, অক্ষৰ ফাউণ্ডেচনৰ কৰ্মকৰ্তা লগতে ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক-অভিভাৱিকা সকলো উপস্থিত থাকে। সভাৰ শেষত সহঃ শিক্ষয়িত্ৰী শেৱালী শইকীয়াই শলাগৰ শৰাই আগবঢ়ায় আৰু ৰাষ্ট্ৰীয় সংগীতেৰে সভাৰ সামৰণি পৰে।

# আধ্যাত্মিকতাৰ সংজ্ঞা বিচাৰি

■ **সত্যব্ৰত বৰা**

**আ**ধ্যাত্মিকতা হৈছে এক অন্তৰংগ আৰু গভীৰভাৱে ব্যক্তিগত যাত্ৰা। এই যাত্ৰাক বস্তুগত সফলতা বা সামাজিক স্বীকৃতিৰ দ্বাৰা জুখিব নোৱাৰি। আধ্যাত্মিকতা হৈছে অৰ্থৰ সন্ধান, দৃশ্যমান জগতৰ বাহিৰৰ কিবা এটাৰ সন্ধান আৰু বাস্তৱৰ সৈতে সংযোগ স্থাপনৰ ইচ্ছা। কিছুমানৰ বাবে আধ্যাত্মিকতা ধৰ্মৰ লগত বান্ধ খাই থাকে, আন কিছুমানৰ বাবে ই হৈছে বিশ্বব্ৰহ্মাণ্ড, প্ৰকৃতি বা আনকি নিজৰ অন্তৰ্নিহিত আত্মাৰ সৈতে সংযোগৰ অনুভৱ। পথ যিয়েই নহওক কিয়, আধ্যাত্মিকতা হৈছে এক গভীৰ শক্তি যি শক্তিয়ে আমি কেনেকৈ জীয়াই থাকোঁ, কেনেকৈ চিন্তা কৰোঁ আৰু কেনেকৈ অনুভৱ কৰোঁ সেইটো গঢ় দিয়ে।

আমি আমাৰ অস্তিত্বৰ প্ৰতি সচেতন হোৱাৰ পৰাই প্ৰশ্ন উত্থাপন হ'বলৈ আৰম্ভ হয় যেনে মই কোন? মই ইয়াত কিয় আছো? মোৰ উদ্দেশ্য কি? এইবোৰ কেৱল দাৰ্শনিক চিন্তা-চৰ্চা নহয়; সেইবোৰ হৈছে আত্মাৰ প্ৰশ্ন। জীৱনটোৱে নিজৰ সকলো ধৰণৰ অভাৱনীয়তা, আনন্দ আৰু দুখৰ সৈতে আমাক এই প্ৰশ্নবোৰৰ উত্তৰ পাবলৈ হেচাঁ দিয়ে। কেতিয়াবা যেতিয়া আমি হতাশাৰ মুহূৰ্তত আধ্যাত্মিকতা বিচাৰো যেতিয়া আন একোৱেই যেন সান্ত্বনা প্ৰদান কৰিব নোৱাৰে আধ্যাত্মিকতাৰ বাহিৰে। কেতিয়াবা আনকি শান্তিৰ মুহূৰ্ততো ইয়াৰ উন্মেষ ঘটে যেতিয়া আমি এক কৃতজ্ঞতা আৰু বিস্ময়ৰ অনুভূতি অনুভৱ কৰো।

আধ্যাত্মিকতাই আমাক কঠিন বিশ্বাসৰ লগত খাপ খাই থাকিবলৈ দাবী নকৰে। আধ্যাত্মিকতা হৈছে সচেতনতা।নিজৰ, আনৰ আৰু বৰ্তমানৰ মুহূৰ্তৰ প্ৰতি। আধ্যাত্মিকতাই আমাক জীৱনৰ অদৃশ্য মাত্ৰাক আকোঁৱালি ল'বলৈ শিকায়। এই সচেতনতা বহু ধৰণে প্ৰকাশ পাব পাৰে- ধ্যান, প্ৰাৰ্থনা, শিল্প, সংগীত, প্ৰকৃতি বা সৰল দয়াৰ কাৰ্যৰ জৰিয়তে। আনকি তৰা ভৰা আকাশৰ তলত নিস্তব্ধভাৱে খোজ কাঢ়িলে বা বতাহৰ অনুভৱেও গভীৰ আধ্যাত্মিক সংযোগ জগাই তুলিব পাৰে।

আধ্যাত্মিকতাৰ এটা সুন্দৰ দিশ হ'ল এই যে ই মানুহক পৃথক কৰিবলৈ বিচৰা নাই বৰঞ্চ তেওঁলোকক একত্ৰিত কৰিবলৈহে বিচাৰে। মৌলিক স্তৰত আমি সকলোৱে একেটা অস্তিত্বৰ অংশ, একে আৱেগ, ভয়, আশা আৰু সপোনৰ দ্বাৰা বান্ধ খাই আছো আমি। যেতিয়া আমি এই কথা বুজি পাওঁ তেতিয়া স্বাভাৱিকতে সহানুভূতি আৰু মমতা অনুভৱ কৰো। আধ্যাত্মিকভাৱে জাগ্ৰত ব্যক্তিয়ে আনক অচিনাকি বুলি নাভাবে বৰঞ্চ একেটা সাৰ্বজনীন শক্তিৰ প্ৰতিফলন হিচাপেহে চায়। এই বুজাবুজিয়ে প্ৰেম, ধৈৰ্য্য আৰু ক্ষমাক গঢ় দিয়ে। এই গুণবোৰে জীৱনক সঁচাকৈয়ে পূৰ্ণতা প্ৰদান কৰে।

আজিৰ পৃথিৱীত, য'ত বিক্ষিপ্ততা অন্তহীন আৰু মানসিক চাপ দৈনন্দিন সংগী তেনে ক্ষেত্ৰত আধ্যাত্মিকতাই জীৱনটো সহজ কৰি তুলিব পাৰে। ই আমাক থমকি ৰ'বলৈ, উশাহ ল'বলৈ আৰু প্ৰকৃততে যিটো গুৰুত্বপূৰ্ণ তাৰ সৈতে পুনৰ মিল ৰাখিবলৈ সহায় কৰে। আমাৰ বহুতেই সফলতা, ধন আৰু স্বীকৃতিৰ পিছত ঘূৰি ফুৰে। তেওঁলোকে ভাৱে যে এইবোৰে সুখ কঢ়িয়াই আনিব। কিন্তু সুখ ক্ষন্তেকীয়া হয় যেতিয়া ই বাহ্যিক কাৰকৰ ওপৰত নিৰ্ভৰ কৰে। প্ৰকৃত শান্তি আহে ভিতৰৰ পৰা, সন্তুষ্ট মন আৰু মুক্ত হৃদয়ৰ পৰা। আধ্যাত্মিকতাই আমাক শিকাই যে পূৰ্ণতা অধিক আহৰণ কৰাত নহয় বৰঞ্চ ইতিমধ্যে থকা বস্তুৰ শলাগ লোৱাতহে থাকে। ভয় হৈছে আভ্যন্তৰীণ শান্তিৰ অন্যতম ডাঙৰ বাধা। বিফলতা, প্ৰত্যাখ্যান আনকি মৃত্যুৰ ভয়ে আমাক উদ্বেগ আৰু নিৰাপত্তাহীনতাত আবদ্ধ কৰি ৰাখে। আধ্যাত্মিকতাই আমাক সকলো বস্তুৰ ক্ষণস্থায়ী স্বৰূপৰ কথা সোঁৱৰাই দি ভয়ক জয় কৰাত সহায় কৰে। একোৱেই স্থায়ী নহয় ।আনন্দ বা দুখো স্থায়ী নহয়। এই কথাটো যেতিয়া আমি সঁচা অৰ্থত বুজি পাওঁ তেতিয়া আমি জীৱনটোক সহজ ভাৱে ল'বলৈ শিকো। প্ৰত্যাহ্বানবোৰ বৃদ্ধিৰ সুযোগ হৈ পৰে আৰু কষ্টবোৰ সহনশীলতাৰ পাঠ হৈ পৰে।

আধ্যাত্মিকতাৰ মূলতে হৈছে প্ৰেম। ই কেৱল ৰোমান্টিক প্ৰেমেই নহয়, বিশাল, নিঃচৰ্ত আৰু সৰ্বাংগীন প্ৰেমো। সৌন্দৰ্যক অসম্পূৰ্ণতাত দেখা, বিনিময়ত একো আশা নকৰাকৈ ক্ষমা কৰা, লোৱাতকৈ দিয়াত আনন্দ পোৱা ধৰণৰ প্ৰেম হয় আধ্যাত্মিকতা। এই প্ৰেম সকলো জীৱ, প্ৰকৃতি আৰু জীৱনলৈ বিস্তৃত। আমি যেতিয়া এনে প্ৰেমৰ অনুভৱ কৰো তেতিয়া আমি লঘু, মুক্ত আৰু নিজৰ লগতে আমাৰ চৌপাশৰ জগতখনৰ লগত অধিক শান্তিপূৰ্ণ ভাৱে জীয়াই থাকিব পাৰো।

আধ্যাত্মিকতা বুলি ক'লে জগতৰ পৰা আঁতৰি যোৱা, বস্তুগত সুখ ত্যাগ কৰা বা ধ্যানৰ জৰিয়তে নিজকে বিচ্ছিন্ন কৰা আদি ভুল ধাৰণা কিছুমান আছে। কিছুমানে এনে পথ বাছি ল'লেও আধ্যাত্মিকতাই জীৱনৰ পৰা বিচ্ছিন্নতাৰ দাবী নকৰে। বৰঞ্চ ই গভীৰ নিয়োজিততাক উৎসাহিত কৰে। সচেতনতাৰ সৈতে, মননশীলতাৰ সৈতে আৰু উদ্দেশ্যবোধৰ সৈতে। ই হৈছে আধ্যাত্মিক চেতনাক দৈনন্দিন জীৱনলৈ অনাৰ বিষয়ে, সেয়া আমি কাম কৰাৰ ধৰণৰ জৰিয়তে হওক, আনৰ সৈতে যোগাযোগ কৰাৰ ধৰণৰ জৰিয়তে হওক, আনকি অসুবিধাসমূহো চম্ভালিবলৈ লওঁতেই হওক। এজন প্ৰকৃত আধ্যাত্মিক ব্যক্তিয়ে জীৱনৰ পৰা পলায়ন নকৰে বৰঞ্চ ইয়াক সম্পূৰ্ণৰূপে আকোঁৱালি লয়, ইয়াৰ সকলো জটিলতা আৰু অসম্পূৰ্ণতাৰ সৈতে।

আধ্যাত্মিকতাৰ সৌন্দৰ্য্য হ'ল এই যে ই সদায় বিকশিত হৈ থাকে। আজি আমি যি বিশ্বাস কৰোঁ সেয়া কাইলৈ আমাৰ শ্ৰীবৃদ্ধি হোৱাৰ লগে লগে আৰু নতুন অভিজ্ঞতা লাভ কৰাৰ লগে লগে সলনি হ'ব পাৰে। জীৱনৰ কোনো চূড়ান্ত গন্তব্যস্থান নাই, কোনো চূড়ান্ত সত্য নাই। জীৱন হৈছে মাত্ৰ বুজাবুজিৰ অবিৰত উন্মোচন। প্ৰতিটো মুহূৰ্ত, প্ৰতিটো অভিজ্ঞতা আৰু প্ৰতিটো সংযোগে আমাৰ অস্তিত্বৰ প্ৰহেলিকাত আন এটা অধ্যায় যোগ কৰে। আৰু এই যাত্ৰাত কোনো সঠিক বা ভুল পথ নাই।

আধ্যাত্মিকতা হ'ল দিনটোৰ শেষত নিজৰ ঘৰলৈ ঘুৰি অহাৰ দৰে। ই হ'ল পৃথিৱীৰ কোলাহলক আওকাণ কৰি নিজৰ ভিতৰৰ মাত শুনা। ই হৈছে সাধাৰণ কথাৰ মাজত অৰ্থ বিচাৰি উলিওৱা, সহজ কথাত সৰু কথাত আনন্দ বিচাৰি লোৱা তথা বৰ্তমানৰ মাজত শান্তি বিচাৰি উলিওৱা। যেতিয়া আমি বাহিৰত সুখৰ সন্ধান বন্ধ কৰি অন্তৰৰ ভিতৰলৈ চাবলৈ আৰম্ভ কৰো তেতিয়া আমি উপলব্ধি কৰো যে আমাৰ প্ৰয়োজনীয় সকলো বস্তু আমাৰ লগত আছে সকলো সময়তে। আধ্যাত্মিক যাত্ৰা কোনো গন্তব্যস্থানত উপনীত হোৱা নহয় বৰঞ্চ নিজৰ সত্তাৰ গভীৰতা, সৌন্দৰ্য্য, সীমাহীনতা আৱিষ্কাৰ কৰাহে আৰু সেই উপলব্ধিৰ মাজত আমি বিচাৰি পাওঁ প্ৰেম, শান্তি আৰু নিজতকৈও ডাঙৰ কিবা এটাৰ সৈতে সংযোগ।

# পিক্‌নিক্


■ **লখিমী শৰ্মা,** যোৰহাট

**ন**তুন বছৰৰ প্ৰথম দিনটোতে মাইনীৰ বৰ স্ফুৰ্তি। তাই আজি মাক-দেউতাকৰ লগত পিক্‌নিক্ খাবলৈ যাব। 'মাইনী সোনকালে ওলোৱা। যাবৰ হ'লেই নহয়।' মাকে ক'লে, ইফালে ড্ৰাইভাৰে গাড়ীত বস্তু ভৰালেই। অলপ পাছতেই মাক-দেউতাকৰ সৈতে মাইনী গাড়ীত উঠিল। ড্ৰাইভাৰে গাড়ী চলাই দিলে। গাড়ী চলাৰ লগে লগে মাইনীয়ে আনন্দত চিঞৰি দিলে।

নাজিৰাখাট পোৱাৰ পাছত সিহঁত পাহাৰৰ কাষত থকা পুৰণি গণেশ মন্দিৰটোলৈ গ'ল আৰু গণেশ মন্দিৰত সেৱা কৰিলে। তাৰ পাছত ভাল ঠাই এডোখৰ চাই গাড়ীৰ পৰা বস্তুবোৰ নমালে । মাক-দেউতাক ভাত পানী ৰন্ধাৰ কামত লাগি গ'ল। মাইনীয়ে ড্ৰাইভাৰৰ লগত নাজিৰা খাটৰ পাৰ্কখন চালে। পাৰ্কত কমলাবোৰ পকি আছে। চাই তাই বৰ ভাল লাগিল। ইফালে নানান বনৰীয়া চৰাই-চিৰিকটিৰ মাত ভাঁহি আছে। পাৰ্কৰ মাজত থকা পুৰণি শিলৰ মূৰ্তিবোৰ চোৱাৰ পাছত মাইনীয়ে জোলনাত সৰু সৰু ল'ৰা-ছোৱালীবিলাকৰ লগত জুলিবলৈ ধৰিলে। খেলি আমনি লগাত তাই মাক-দেউতাকৰ ওচৰলৈ আহিল ।

ইফালে মাক-দেউতাকে ভাত পানী ৰান্ধি সিহঁতলৈ বাট চাই আছে। দুইমান বজাত সিহঁতে ভাত পানী খালে। ভাত খাই জিৰণি লওঁতে মাইনীৰ ধুনীয়া ঝৰণাটোলৈ চকু পৰিল । ঝৰণাটোৰ পানীখিনি ইমান ধুনীয়া। জিৰজিৰকৈ বৈ শিলত খুন্দা খাই তললৈ নামি আহিছে। পানীখিনিৰ মাজত ডাঙৰ ডাঙৰ শিল পৰি আছে। শিলৰ ওপৰত তাইৰ সমান সৰু ল'ৰা-ছোৱালীয়ে ধৰাধৰিকৈ খেলি আছে। তাকে দেখি তাইয়ো ঝৰণাৰ পানীখিনিত নামিবলৈ দৌৰ মাৰিলে। পানীখিনিৰ লগত খেলিবলৈ আৰম্ভ কৰোঁতেই তাইৰ পিঠিটো বিষোৱা যেন লাগিল। হঠাৎ তাইৰ চকু দুটা মেল খাই গ'ল। তাই দেখিলে যে মাকে তাইক ৰাতিপুৱা টোপনিৰ পৰা জগাবলৈ পিঠিত ঢকিয়াই আছে। তেতিয়াহে তাই বুজিলে যে তাই নাজিৰাখাটত নাই বিছনাতহে আছে।

**ম'বাইল ঃ** ৮৮১১৯-৩০০৪২



জনতাৰ চৰকাৰ | my GOV মেৰী সৰকাৰ

অসম চৰকাৰ
খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ

খাদ্য সুৰক্ষা সুনিশ্চিতকৰণেৰে
চৰকাৰৰ অভিনৱ জনমুখী প্ৰয়াস

মাৰ্চ - ২০২৫ত

# অন্ন সেৱা দিন

১-১০ মাৰ্চ ২০২৫

ডিচেম্বৰ-২০২৪ত নতুনকৈ ৰেচন কাৰ্ডপ্ৰাপ্ত সমূহ পৰিয়াল তথা সকলো নতুন হিতাধিকাৰীক সামৰি

মুঠ পৰিয়াল ৭০,৫২,৫২৪টা

মুঠ হিতাধিকাৰী ২,৪৫,৪৭,৫৭৬গৰাকী

এই বিশেষ দিনকেইটাত

ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত

প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনাৰ হিতাধিকাৰীৰ বাবে

৩৫ কিঃগ্ৰাঃ চাউল — অন্ত্যোদয়া অন্ন যোজনা (AAY)ৰ প্ৰতিমাহে, প্ৰতি পৰিয়াললৈ

৫ কিঃগ্ৰাঃ চাউল — অগ্ৰাধিকাৰপ্ৰাপ্ত পৰিয়াল (PHH)ৰ প্ৰতিমাহে, প্ৰতিগৰাকী হিতাধিকাৰীলৈ

প্ৰদান কৰা হ'ব

e-KYC

যোৱা ডিচেম্বৰ মাহত নতুনকৈ সংযোজন হোৱা সকলো হিতাধিকাৰীক এই মাৰ্চ মাহৰ অন্ন সেৱা দিনৰ ভিতৰত (১ মাৰ্চৰ পৰা ১০ মাৰ্চলৈ) তেওঁলোকৰ e-KYC প্ৰমাণীকৰণ সম্পন্ন কৰিবলৈ অনুৰোধ জনোৱা হ'ল।

## গ্ৰাহকলৈ আমাৰ আহ্বান

- এই বিশেষ দিনকেইটাত সুলভ মূল্যৰ দোকানৰ পৰা বিনামূলীয়া চাউল সংগ্ৰহ কৰক
- লাভ কৰা চাউলৰ বিপৰীতে e-Pos মেচিন সৃষ্ট ৰচিদ সংগ্ৰহ কৰক

## সুলভ মূল্যৰ দোকানীৰ কৰণীয়

- অন্ন সেৱা দিন সম্পৰ্কে ব্যাপক প্ৰচাৰেৰে হিতাধিকাৰীসকলক বাধ্যতামূলকভাৱে অৱগত কৰোৱা
- অন্ন সেৱা দিনৰ প্ৰতিটো দিনত দিনজোৰাকৈ দোকান খোলা ৰখা
- হিতাধিকাৰীসকলৰ প্ৰাপ্য চাউল 'অন্ন সেৱা দিন'ত সম্পূৰ্ণ বিতৰণ সুনিশ্চিত কৰা
- হিতাধিকাৰীয়ে লাভ কৰা চাউলৰ বিপৰীতে e-Pos মেচিনৰ ৰচিদ (Receipt) প্ৰদান কৰা

কোনো হিতাধিকাৰীয়ে সঠিক পৰিমাণৰ চাউল নাপালে

১৮০০-৩৪৫-৩৬১১ | ১৯৬৭

টোল ফ্ৰী নম্বৰত পুৱা ৯:০০ বজাৰ পৰা সন্ধিয়া ৬:০০ বজালৈ যোগাযোগ কৰিব পাৰিব


তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত | Connect with us @diprassam | dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি হোৱাটছএপ কৰক

Janasanyog RO no 4716/24/7-Mar-25

# পৰেশ বৈশ্যৰ 'চিঠি-পত্ৰ' গ্ৰন্থ উন্মোচন

## চিঠি-পত্ৰতো সমাজ জীৱনৰ ইতিহাস লুকাই থাকে ঃ ড° দয়ানন্দ পাঠক



**দিলীপ মেধি, শুৱালকুছি ঃ** মানৱ সমাজত চিঠি-পত্ৰৰ গুৰুত্ব অপৰিসীম। মানৱ ইতিহাসত বৰেণ্য ব্যক্তিৰ একো একোখন চিঠিয়ে সমাজ জীৱনত অভূতপূৰ্ব প্ৰভাৱ পেলাই অহাৰ কথা সৰ্বজনবিদিত। চিঠি-পত্ৰতো সমাজ জীৱনৰ ইতিহাস লুকাই থাকে। শিক্ষাবিদ তথা লেখক-সাংবাদিক পৰেশ বৈশ্যৰ 'চিঠি-পত্ৰ' নামৰ এখনি গ্ৰন্থ উন্মোচন কৰি বিশিষ্ট শিক্ষাবিদ তথা শংকৰী সাহিত্যৰ গৱেষক পণ্ডিত ড° দয়ানন্দ পাঠকে এইদৰে কয়। গুৱাহাটীৰ পশ্চিম বৰাগাঁও হাউছফেড হাউছিং কমপ্লেক্সত অনুষ্ঠিত উক্তি গ্ৰন্থ উন্মোচনী সভাত ড° পাঠকে আৰু কয় যে গ্ৰন্থখনত কুৰি শতিকাৰ নৱৈৰ দশকৰ পৰা সাম্প্ৰতিক সময়লৈকে অসমৰ সামাজিক, ৰাজনৈতিক আৰু আৰ্থ- সামাজিক দিশ, শৈক্ষিক পৰিৱেশ আৰু শিক্ষা ব্যৱস্থাপন, সমাজত প্ৰচলিত অন্ধবিশ্বাস, কুসংস্কাৰ আৰু অসমীয়া সমাজখনৰ পৰিৱৰ্তনৰ ভালেমান দিন প্ৰস্ফুটিত হৈছে। তেওঁ আৰু কয় যে গ্ৰন্থখনত প্ৰকাশিত চিঠি-পত্ৰত ভৱিষ্যতে এখন সুন্দৰ অসম গঢ়াৰ ক্ষেত্ৰত বৈশ্যই ভালেমান বিজ্ঞানসন্মত পৰামৰ্শ দেখা যায়। অনুষ্ঠানত বীণাপাণি একাডেমিৰ অধ্যক্ষ চম্পক কলিতা আৰু বৰপেটা জিলাৰ নৱজ্যোতি মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপিকা পঞ্চালী বৈশ্যই বিশিষ্ট অতিথি হিচাপে ভাগ লয়। সভাত ভাষণ দি বীণাপাণি একাইডেমিৰ অধ্যক্ষ চম্পক কলিতাই এতিয়া হাতেলিখা চিঠিৰ অনুশীলন নোহোৱা হোৱাৰ কথা উল্লেখ কৰে। তেওঁ এই গ্ৰন্থখন অসমৰ সমাজ জীৱনৰ বহুবোৰ দিশৰ সাক্ষী হৈ থাকিব বুলি কয়। সভাত নিজৰ বক্তব্য দাঙি ধৰি পাঞ্চালী বৈশ্যই পৰেশ বৈশ্যৰ এনে প্ৰয়াসৰ শলাগ লয়। আৰম্ভণিতে গ্ৰন্থখনৰ বিষয়বস্তুৰ বিষয়ে লেখক বৈশ্যই কয় যে এই সংকলনটিত বিভিন্ন কাকতত প্ৰকাশিত ৰাজহুৱা চিঠি-পত্ৰৰ উপৰিও ভালেমান ব্যক্তিগত চিঠি আছে। বিশেষকৈ মিজোৰামৰ তদানীন্তন ৰাজ্যপাল হিতেশ্বৰ শইকীয়াই লিখা চিঠি, পশ্চিম বংগৰ তদানীন্তন ৰাজ্যপাল গোপাল কৃষ্ণ গান্ধীয়ে লিখা চিঠি আৰু অসম চৰকাৰৰ তদানীন্তন মুখ্যমন্ত্ৰী, আন মন্ত্ৰী, বিষয়ালৈ লিখা বিভিন্ন চিঠি গ্ৰন্থখনত সন্নিৱিষ্ট হৈছে। তেওঁ কয় যে গোপালকৃষ্ণ গান্ধীয়ে লিখা দীঘলীয়া চিঠিখনত অসমত মহাত্মা গান্ধীৰ পদাৰ্পণ ভালেমান গুৰুত্বপূৰ্ণ তথ্য আছে।

# দক্ষিণ কামৰূপ হাইস্কুল অৱসৰপ্ৰাপ্ত শিক্ষক কৰ্মচাৰী সংস্থাৰ আলোচনা সভা

**শৈলেন কুমাৰ, মিৰ্জা ঃ** প্ৰাদেশীকৃত বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকলৰ অৱসৰৰ পিছৰ দিন সমূহ যে বৰ্তমান পৰিস্থিতিত পেঞ্চন অবিহনে দুৰ্বিষহ হয় তাকেলৈ পৰ্যালোচনা সভা ২ মাৰ্চ দেওবাৰে ৰামপুৰৰ কালিপ্ৰসাদ দাস হাইস্কুলত অনুষ্ঠিত হয়। সভাত দক্ষিণ কামৰূপ হাইস্কুল অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰী সংস্থাৰ সভানেত্ৰী দেৱযানী দেৱানৰ সভাপতিত্বত পেঞ্চন সন্দৰ্ভত প্ৰস্তাৱ গ্ৰহণ কৰা হয়। অসমত বৰ্তমানলৈকে দহ হেজাৰ প্ৰাদেশীকৃত বিদ্যালয়ৰ শিক্ষক পেঞ্চন পোৱাৰ পৰা বঞ্চিত হৈ আছে। দক্ষিণ কামৰূপ হাইস্কুল অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰী সংস্থাৰ পৰা চৰকাৰক বৰ্তমানলৈ বহুবাৰ পেঞ্চন সন্দৰ্ভত আবেদন কৰিছে যদিও চৰকাৰৰ পৰা কোনো সঁহাৰি পোৱা নাই। সভাত বিশেষকৈ ২০১৩ ইং বৰ্ষত প্ৰাদেশীকৃত বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰীসকলৰ পেঞ্চনৰ কথা পৰ্যালোচনা কৰে। গুৰুত্বপূৰ্ণ চৰকাৰে যদি অতিশীঘ্ৰে দক্ষিণ কামৰূপ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক- কৰ্মচাৰী সংস্থাৰ দাবী সমূহ পূৰণ নকৰে সভাই পৰিস্থিতি সাপেক্ষে আইনগত ব্যৱস্থাৰ মাধ্যমেৰে হ'লেও প্ৰাপ্য আদায়ৰ ব্যৱস্থা কৰিবলৈ বাধ্য হ'ব বুলি সিদ্ধান্ত কৰে।




# অহা ১৪ মাৰ্চত মুক্তি পাব চন্দ্ৰ মুদৈ পৰিচালিত 'গমন দ্যা লাষ্ট জাৰ্নি'




**এম হাছিম আলী, ডিব্ৰুগড় ঃ** অসমীয়া চলচ্চিত্ৰৰ বিশিষ্ট পৰিচালক চন্দ্ৰ মুদৈয়ে ইতিমধ্যে কেইবাখনো উল্লেখযোগ্য ছবি অসমৰ চলচ্চিত্ৰ জগতলৈ আগবঢ়োৱাৰ পাছত তেখেতে পৰিচালনা কৰা ষষ্ঠদশ সংখ্যক ছবি 'গমন দ্যা লাষ্ট জাৰ্নি'য়ে অসমৰ ৩১ টা ছবিগৃহত একেলগে অহা ১৪ মাৰ্চত মুক্তিলাভ কৰিব। যোৱা বছৰতে জ্যোতি চিত্ৰবনত প্ৰিমিয়াৰ শ্ব' অনুষ্ঠিত হোৱাৰ সময়ত বিশিষ্ট ব্যক্তিৰ দ্বাৰা সমাদৃত ছবিখনৰ প্ৰযোজনা কৰিছে ইতিমধ্যে স্বকীয় অভিনয় প্ৰতিভাৰে নিজকে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হোৱা যতীন্দ্ৰ নাথ খনিকৰ আৰু চলচ্চিত্ৰনুৰাগী বিপুল কলিতাই। অসমীয়া ছবিৰ প্ৰচাৰৰ ক্ষেত্ৰত কিছু প্ৰযোজকে গুৰুত্ব নকৰা অভিযোগৰ প্ৰতি লক্ষ্য ৰাখি প্ৰযোজকগৰাকীয়ে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ সাধ্যানুসৰি প্ৰচাৰ কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখি যোৱা ২৭ ফেব্ৰুৱাৰীত ডিব্ৰুগড়ত উপস্থিত হৈ প্ৰচাৰ কৰে। ডিব্ৰুগড়ৰ চৌকিডিঙ্গীৰ হোটেল 'চেন্ট'ল ইনক্সত গণ্যমান্য চলচ্চিত্ৰ আৰু নাট্যকৰ্মী তথা সংবাদ মাধ্যমৰ ব্যক্তিৰ উপস্থিতিত 'গমন দ্যা লাষ্ট জাৰ্নি'ৰ যতীন্দ্ৰ নাথ খনিকৰ আৰু কুলেন্দ্ৰ ৰায়চৌধুৰীয়ে মনোৰঞ্জন ধৰ্মী উপাদান আৰু কলাত্মক দৃষ্টিভংগীৰে নিৰ্মাণ কৰাৰ উদ্দেশ্য ব্যাখা কৰাৰ লগতে প্ৰযুক্তি বিদ্যাৰ সহায়ত ছবিখনৰ কিছু দৃশ্যাংশ প্ৰদৰ্শন কৰে। যতীন্দ্ৰ নাথ খনিকৰৰ উপৰিও মোহময়ী অভিনেত্ৰী অমৃতা গগৈ, ইতিমধ্যে অভিনয় জগতত প্ৰতিষ্ঠা লাভ কৰা দিব্যজ্যোতি দাস, ছাজু আহমেদ, অসীমকৃষ্ণ বৰুৱা, আৰতি কলিতাকে আদি কৰি আৰু শিশু শিল্পী সাক্ষাৎ ওম শৰ্মাই অভিনয় কৰা ছবিখনৰ কেমেৰাৰ কাম কৰিছে নৱ দাসে। ছবিখনৰ সহকাৰী পৰিচালনাৰ দায়িত্বত আছে মনীশ দাস আৰু অনুশীলা সাউদ হাজৰিকাই। লজ এঞ্জেলছত আয়োজিত 'চেভেন এৱাৰ্ডছ' ইণ্টাৰচেনেল ফিল্ম ফেষ্টিভেলত শ্ৰেষ্ঠ চিনেমাৰ বাচনিত অন্তৰ্ভুক্তি লাভ কৰা 'গমন দ্যা লাষ্ট জাৰ্নি' ৰ কাহিনী চিত্ৰনাট্য-সংলাপ পৰিচালক চন্দ্ৰ মুদৈৰ। সমাজৰ প্ৰচলিত পৰম্পৰা আৰু আধুনিক বিজ্ঞানৰ উত্তোৰণৰ বাবে এটা পৰিয়ালত সৃষ্টি হোৱা সংঘাতক লৈ গ্ৰহণযোগ্য বিষয়বস্তুৰে নিৰ্মিত ছবিখনৰ প্ৰতি উপস্থিত সকলোৱে সন্তোষ প্ৰকাশ কৰাৰ লগতে ১৪ মাৰ্চলৈ আগ্ৰহৰে প্ৰতীক্ষা কৰিছে।




স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,
সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা